# প্ৰশ্নোত্তৰ

## মহাবিদ্যালয়ৰ সোনালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অৱতাৰণা কৰা কেইটামান প্ৰশ্ন আৰু তাৰ উত্তৰ সমূহ

কেশৱ চন্দ্ৰ ৰাভা
বকো

*প্ৰশ্নঃ ১. একোটা অনুষ্ঠানৰ সোণালী জয়ন্তী কিয় পালন কৰা হয়?*

*প্ৰশ্নঃ ২. জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে উদ্‌যাপন কৰা সোণালী জয়ন্তী উৎসৱ সম্পৰ্কে আপোনাৰ অভিমত কি?*

*প্ৰশ্নঃ ৩ ৫০ বছৰ গৰকা মহাবিদ্যালয়খনিৰ পৰিবৰ্তন সম্পৰ্কে আপোনাৰ মতামত কি?*

*প্ৰশ্নঃ ৪. এই বকো অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষা অনুষ্ঠানটিৰ উন্নয়নৰ ক্ষেত্ৰত আপোনাৰ পৰামৰ্শ কি?*

জৱাহৰলাল নেহৰু মহাবিদ্যালয় মুখপত্ৰ 'জৱাহৰজ্যোতি'ৰ বাবে ওপৰোক্ত চাৰিটা প্ৰশ্ন লিখি উত্তৰ দিবলৈ আলোচনী সম্পাদকে মোলৈ অনুৰোধ জনাইছে। চাৰিটা প্ৰশ্ন উল্লেখ কৰাৰ লগতে ব্যক্তিগত উত্তৰসমূহ তলত দিয়া হ'ল।

**১ম প্ৰশ্ন ঃ** একোটি অনুষ্ঠানৰ সোণালী জয়ন্তী কিয় পালন কৰা হয়?

**উত্তৰ ঃ** আভিধানিক সংজ্ঞা— Golden Jubilee The Fiftieth anniversary of on inportant event. অসমীয়াত -সোণালী জয়ন্তীৰ ভাৱাৰ্থ নিজস্বভাৱে এনেদৰে চিন্তা কৰিব পৰা যায়— সোণ এবিধ নিৰ্মল, বিকৃতিহীন, মামৰে খাৱনোৰৰা উজ্বল ধাতু, যাক- ধন, ঐশ্বৰ্য্য, অলঙ্কাৰ হিচাবে সৰ্বসাধাৰণৰ মাজত সৰ্বাধিক মূল্যাঙ্কন কৰা হয়। এই মূল্যাঙ্কনৰ অস্তিত্ব স্বীকাৰ কৰিয়েই বিশেষণলৈ সোণক সোণালী কৰা হয়। দুৰ্গাৰ আন এটি নাম জয়ন্তী যদিও কোনো অনুষ্ঠান আনকি ব্যক্তি বিশেষেও জন্ম জয়ন্তী পালনৰ ভূমিকা — এটা প্ৰহসন, চং বা উৎসৱ। একোটা অনুষ্ঠানৰ জন্ম লগ্নৰে পৰা সুদীৰ্ঘ ৫০ টা বছৰৰ ইতিহাসত সেই অনুষ্ঠানৰ পৰিপক্কতা, সৃষ্টিশীল কৰ্মৰাজিৰ কৃতীসমূহ সোণৰ লেখিয়া উজ্বল হোৱাটোৱেই বাঞ্ছনীয়। যাতে সোঁৱৰণীৰ ৫০ বছৰীয়া ইতিহাসত সেই অনুষ্ঠানখনি জনমানসত কৃতিত্বৰ দলিল হিচাবে ভৱিষ্যতলৈ সাক্ষ্য বহন কৰে। এই বাবেই একোটি অনুষ্ঠানৰ 'সোণালী জয়ন্তী' পালন কৰা হয়।

**২য় প্ৰশ্ন ঃ** জৱাহৰলাল নেহৰু মহাবিদ্যালয়ে উদ্‌যাপন কৰা সোণালী জয়ন্তী উৎসৱ সম্পৰ্কে আপোনাৰ অভিমত কি ।

**উত্তৰ ঃ** . . .মোৰ অভিমত ? . . .নিৰৱ দৰ্শক সোণালী জয়ন্তী উৎসৱৰ নিমন্ত্ৰণী কাৰ্ড প্ৰাপ্তিৰ সৌজন্যতা ৰাখি তিনিও দিনৰ কাৰ্য্যসূচীত মোৰ ভাল লগা অনুষ্ঠানবোৰত দৰ্শক হিচাবে উপস্থিত থাকি— ভাল লগা খিনিত প্ৰশংসাত পঞ্চমুখ ভাল নলগাখিনিত- বিমুখ যিদৰে তুমি (প্ৰশ্ন কৰোতা) আনন্দমুখৰ সোণালী জয়ন্তী উৎসৱত এজন কৃতি সচেতন ছাত্ৰ হিচাবে সঠিক দিগ্‌দৰ্শনেৰে স্বতঃস্ফুৰ্ত বিমল আনন্দৰ পৰিপূৰ্ণতা পোৱাৰ পৰা বঞ্চিত।

**৩য় প্ৰশ্ন ঃ** ৫০ বছৰ গৰকা মহাবিদ্যালয় খনিৰ পৰিৱৰ্তন সম্পৰ্কে আপোনাৰ মতামত কি?

**উত্তৰ ঃ** মতামত ? জনজাতীয় অধ্যুষিত এলেকাৰ ৫০ বছৰ গৰকা মহাবিদ্যালয় খনিৰ আশাব্যঞ্জক পৰিৱৰ্তন নেদেখি নিৰুৎসাহ আশাব্যঞ্জক পৰিৱৰ্তন হয়তো এদিন আহি আছে। আশা আৰু অপেক্ষাত আছো। এই সম্পৰ্কে মোৰ মতামত হওঁতে বহুকেইটা দিশৰ বিষয়ে খৰচিমাৰি ক'ব পৰা যায় যদিও বিস্তাৰিত ৰূপত কলেৱৰ বঢ়াই তোমাৰ কুমলীয়া কৰ্ণ কুহৰত (প্ৰশ্ন কৰোতা) শব্দ বিভ্ৰাটৰ সংযোজন কৰাৰ পৰা বিৰত থকাই ভাল বুলি মই ভাবো। উচ্চতমমাধ্যমিক (HSC) বা বিশ্ববিদ্যালয় (UGC) শিক্ষা আয়োগে বান্ধি দিয়া পাঠ্যক্ৰমবোৰ একোটা নিৰ্দ্দিষ্ট সময়ৰ বাবে গতানুগতিক ভাৱে শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদান কৰে। কেইবছৰমান পৰীক্ষণ মূলক অৱধাৰিত গতিৰ পিছত শিক্ষাৰ মানমূল্যায়ণৰ বাবে শিক্ষা

বিশেষজ্ঞ সকলৰ দ্বাৰা প্ৰণোদিত শিক্ষাধাৰা পুনৰ নতুন গতিৰ সূচনাৰে অগ্ৰগতি লাভ কৰে। যিদৰে তোমালোকে এতিয়া চিমেষ্টাৰ চিষ্টেমত পাঠ গ্ৰহণ কৰি আছা বিগত ৫০ বছৰত এনে শিক্ষা ধাৰাৰ কেইবালানি সোঁত হয়তো পৰিবৰ্ত্তিত হৈ গৈছে। ক'লা-বিজ্ঞান উভয় বিভাগৰ পাঠ্যক্ৰম সমূহতো ন-ন অভিনৱ তথা অত্যাধুনিক পাঠ্য সংযোজন ঘটিয়েই আছে। মহাবিদ্যালয়ৰ সকলোবোৰ বিভাগৰ বিভিন্ন দিশৰ আন্তঃগাঠনি সমূহো (UGC) বা NAC ৰ নিৰ্দ্দেশানুক্ৰমে মূল্যায়নৰ নিৰ্দ্ধাৰিত নীতি-নিয়ম পূৰ্ণ কৰাৰ বাবে মহাবিদালয় সমূহে যৎপৰোনাস্তি চেষ্টা কৰাৰ প্ৰস্তুতিও চলিছে। বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়েও ইয়াৰ ত্ৰুটি কৰা নাই যদিও বৰ্ত্তমান ই এখন B গ্ৰেডৰ মহাবিদ্যালয়। শিক্ষাৰ সুষ্ঠিৰ বাতাবৰণ এটি গঢ়ি তুলিবলৈ হ'লে- অধ্যক্ষ, শিক্ষক, ছাত্ৰ-ছাত্ৰী, অঞ্চলৰ সচেতন ব্যক্তি তথা ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক আটাইৰে এই ক্ষেত্ৰত এটি বিশেষ ভূমিকা থাকিব লাগে। তেতিয়াহে এখন বৃহৎ শিক্ষানুষ্ঠানৰ শ্ৰীবৃদ্ধি আৰু সুনাম বঢ়াৰ লগতে এটি সন্তোষজনক পৰিৱৰ্ত্তনৰ উদ্ৰেক হয়। ছাত্ৰ-ছাত্ৰী সকলেও নিজৰ সৎ উদ্দেশ্য আগত ৰাখি সকলো দিশতে উৎকৃষ্ট মান ফলাফল দেখুৱাব পাৰিলে পৰিবৰ্ত্তনৰ সাৰ্থকতা উপলব্ধি কৰা হব। অন্যান্য গতানুগতিক দিশত ভৱন, পাঠাগাৰ, পৰীক্ষাগাৰ, শ্ৰেণী কোঠা, বিভিন্ন প্ৰকল্প ইত্যাদিৰ চালিকা শক্তি যদি সঠিকভাৱে কাৰ্য্যক্ষম হৈ আছে নিশ্চয় ৫০ বছৰ গৰকা মহাবিদ্যালয় খনিৰ পৰিৱৰ্ত্তন ঘটিছে।

**৪ৰ্থ প্ৰশ্ন ঃ এই বকো অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠানটিৰ উন্নয়নৰ ক্ষেত্ৰত আপোনাৰ পৰামৰ্শ কি ?**

**উত্তৰ ঃ** এখন উচ্চ শিক্ষানুষ্ঠানলৈ মোৰ ব্যক্তিগত পৰামৰ্শৰ প্ৰাসঙ্গীকতা আছে বুলি নাভাবো। উচ্চ শিক্ষানুষ্ঠান সমূহ সদায় এক নীতি সিদ্ধ কাৰ্য্যবিধি উপেক্ষা নকৰাকৈ সম্যকভাৱে, মহানুভৱতাৰে নিজৰ আপোন অনুষ্ঠান বুলি একাত্ম হোৱাৰ মৰ্য্যদা লাভ কৰিব লাগিব। শৈক্ষিক বাতাৱৰণৰ ক্ষেত্ৰত গুৰু-শিষ্যৰ মাজত ব্যৱহাৰিক শালীনতা ও মৰ্য্যদা অক্ষুণ্ণ ৰখা বাঞ্ছনীয়। 'শ্ৰদ্ধাভাজনেষু লভ্যাতে বিদ্যাং।" ছাত্ৰ-ছাত্ৰী সকলে মনত এনে সৎভাৱ অন্তৰত ৰাখি নিজৰ লক্ষ্যপথত আগবাঢ়িবলৈ দৃঢ় প্ৰতিজ্ঞ হ'ব লাগিব। অকল ঘৰ দুৱাৰ, পাঠাগাৰ, ভৱন আদিৰ উন্নতি হলেও উন্নয়ন হোৱা বুলি ক'ব নোৱাৰি। উচ্চ শিক্ষানুষ্ঠানৰ পেৰাশালত শ-শ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত কৃতিত্বৰে বিভিন্ন বিষয়ত উত্তীৰ্ণৰ উচ্চ হাৰৰ ভাল কৰিব পাৰিছে তাৰ পৰিসাংখ্যিক মাপ-কাঠি নিৰ্দ্ধাৰণ কৰিব। সুযোগ সুবিধা অনুযায়ী কোমল বয়সতেই পৃথিৱী বিখ্যাত মহৎ ব্যক্তি সকলৰ জীৱনী, তেওঁলোকৰ আদৰ্শৰ অমূল্য বাণীসমূহ অধ্যয়ন, চৰ্চ্চাৰ অনুশাসন কৰিলে নিজৰ ব্যক্তিত্ব আৰু চৰিত্ৰ সংগঠনত অমোঘ মহামন্ত্ৰ হব পাৰে আৰু মহাবিদ্যালয়ৰ সু-শিক্ষা গ্ৰহণৰ লগে লগে একোজন গুণীজ্ঞানী ব্যক্তিলৈ ৰূপান্তৰিত হোৱাত সহায় হ'ব। এই দিশটোও ছাত্ৰ-ছাত্ৰীসকলে লক্ষ্য ৰখা উচিত।

ওপৰোক্ত প্ৰশ্নটিৰ নিজস্ব ভাবাবেগৰ পৰামৰ্শ বৰ্দ্ধিত নকৰি বৰ্তমান দৰ্শকত এজন বিশেষ ব্যক্তিৰ মন পৰশা মন্তব্য প্ৰশ্ন কৰোতলৈ আগবঢ়াব খুজিছো। যোৱা ২৩ জুলাই (২০১৪) তাৰিখে দিনৰ ২ বজাত (USTM) 'ইউনিভাৰ্ছিটী অব্ ছায়েঞ্চ এণ্ড টেকন'লজী, আপোনালোকৰ লক্ষ্য সঠিক হব লাগিব। এজন শিক্ষকে শ্ৰেণীকোঠাত প্ৰৱেশ কৰোতেই তেওঁৰ প্ৰভাৱে ছাত্ৰ-ছাত্ৰীসকলক সম্মোহিত কৰিব পাৰিব লাগিব। অধ্যক্ষসকলে নিজকে কেৱল অধ্যক্ষ বুলি ভাবি নাথাকি সপ্তাহত অন্ততঃ দুটা ক্লাছ ল'ব লাগে। মনত ৰাখিব যে আপোনালোক প্ৰথমে এগৰাকী সফল শিক্ষক হলেহে এগৰাকী সফল অধ্যক্ষ হ'ব পাৰিব। আপোনালোকে অধ্যয়ন কোনো কাৰণতে ত্যাগ নকৰিব। সকলোৱে ঘৰত এটা পুথিভঁড়াল স্থাপন কৰাটো বাঞ্চনীয়। আধাঘণ্টা আপোনালোকে টিভি চোৱা বন্ধ কৰি অধ্যয়নত সময় দিয়ক। আমাৰ ছাত্ৰসকলৰ মাজত বিশ্বমানৰ সম্ভাৱনা আছে। এই সম্ভাৱনা আপোনালোকে উলিয়াই আনক।"

ইফালে অনুষ্ঠানত উপস্থিত থকা ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাৰতৰ মিছাইলমেন গৰাকীয়ে কয়— "তোমালোকৰ সকলোৰে আটাইতকৈ ভালপোৱা কিছুমান সামগ্ৰী থাকিব পাৰে। কিন্তু সামগ্ৰীৰ উৰ্দ্ধত কিতাপ হোৱা উচিত। ছাত্ৰ-ছাত্ৰীসকলে ভাৰতীয় লোককথাৰ কিতাপেৰে অধ্যয়ন জীৱন আৰম্ভ কৰিব লাগে।' ছাত্ৰ-ছাত্ৰীসকলক তেওঁৰ মুখেমুখে তিনিবৰাকৈ আওৰাবলৈ দি কয়— 'মই বহু সম্ভাৱনা লৈ জন্ম হৈছো। মোৰ বহু সপোন আছে, মোৰ বহুত আশা আছে। মই দুখন পাখি লৈ জন্ম হৈছো। সেয়ে মই উৰিব পাৰিমেই।' এখন উচ্চশিক্ষানুষ্ঠানৰ উন্নয়নৰ ক্ষেত্ৰত এজন খ্যাতনামা ব্যক্তিৰ মন্তব্যৰ উৰ্দ্ধত অন্য পৰামৰ্শৰ প্ৰয়োজন নাই।

প্ৰশ্ন কৰোতলৈ উজ্জ্বল ভৱিষ্যত কামনা কৰিলো।

ধন্যবাদ ।

## Fr. SAJU KARIYIL, Head Master, Don Bosco School, Boko

*Q. 1. What is the purpose of observing golden jubilee in an institution?*

*Q. 2. What are your views on the observation of golden jubilee at Jawaharlal Nehru College, Boko?*

*Q. 3. Your comments on the pace of developments of the college on its completion of 50 years of existence*

*Q. 4. Your valuable suggestions towards the development of J.N. College, Boko, the only prime institution of higher education of Boko area.*

Ans. 1. a) To celebrate the glory and evaluate the post performance of the college

b) To honour the people who have contributed towards making the college

c) To assess the performance of the college and to find ways and means to improve

d) To attract and caplivate the youngsters to join the college

e) To give a sense of belonging to the college, among the staff, students, parents and the well wishers.

Ans. 2. The various events organized to commemorate the Golden Justice like the interschool competitions, cultural gathering, competitions, appreciation of the achievers, cultural sally etc. were well appreciated by the public. The outreach programmes like swerve and mother classes in the neighbouring schools like in Don Bosco were good.

Ans. 3. The last 50 years the college has served the coluentional needs of the students of in and around Boko. These who are graduated from the college are well placed in society.

Ans. 4. a) College could offer more professional courses to the students.

b) The medium of instruction could be in English so that the students from the other linguistic communities can benefit better.

c) Could offer more of personality and character based programmes so that the students will be better motivated and this in turn can produce better leaders.

# আপুনি, মই আৰু যুৱ প্ৰজন্মৰ সৈতে এখন্তেক জৱাহৰজ্যোতিৰ সম্পাদনা সমিতিৰ পৰা পোৱা প্ৰশ্নসমূহৰ উত্তৰ

**প্ৰশ্নসমূহ ঃ-**

*১। যুৱক-যুৱতীসকলে কয়— আমাৰ এই বিশৃংখলতাৰ বাবে দায়ী অগ্ৰজসকল। অগ্ৰজসকলে উপহাৰ দিছে আমাক এই বিশৃংখল পৰিৱেশ। আপুনি কি ক'ব বিচাৰে?*

*২। বৰ্তমান সময়ত নৱ প্ৰজন্মৰ লগতে কিছুমান অধিক শিক্ষিত লোকেও সমাজত ভয়ঙ্কৰ ৰূপ ধাৰণ কৰা দেখিবলৈ পোৱা যায়। এতিয়া কেনেকুৱা শিক্ষাৰ প্ৰয়োজন বুলি আপুনি ভাবে?*

*৩। আজিকালি দেখিবলৈ পোৱা যায় যে— ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক অবজ্ঞা/অবহেলা কৰিবলৈ লৈছে বা আগৰ তুলনাত বৰ্তমানে মাক-দেউতাকেওঁ ল'ৰা-ছোৱালীক শাসন কৰিবলৈ এৰি দিছে। এই ক্ষেত্ৰত আপুনি কি কব বিচাৰে?*

*৪। আপুনি এজন অভিভাৱক বা ছাত্ৰ হিচাপে এই সমাজখনৰ কাৰণে কি কৰিব বিচাৰে?*

**পৰিস্মিতা দাস, প্ৰাক্তন ছাত্ৰী**

১। বৰ্তমান অসমৰ চাৰিওফালে ঘটি থকা হত্যা-হিংসা-দুৰ্নীতি আদিৰ লগত মাথো যুৱ-প্ৰজন্মই জড়িত নহয়। প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে তাৰ নেতৃত্ব দিয়ে এচাম জ্যেষ্ঠই। বৰ্তমান সময়ত বহুতো যুৱক-যুৱতীয়ে উচ্চ শিক্ষা লাভ কৰিও নিবনুৱা হৈ থাকিবলগীয়া হৈছে। তাৰ বাবে তেওঁলোক হতাশগ্ৰস্ত হৈ এটি বিশৃংখল জীৱন-যাপন কৰাটো নিতান্তই স্বাভাৱিক। তাৰোপৰি অভিভাৱকৰ ব্যস্ততাৰ ফলত শিশুকালত ল'ৰা-ছোৱালীক সময় দিব নোৱাৰা, সৰুৰে পৰাই আৱাসিক বিদ্যালয়ত পঢ়োৱা আদিয়েও যৌৱন কালত বিশৃংখলতাৰ কাৰণ হৈ উঠে। গতিকে উল্লিখিত কথাষাৰ সঁচা বুলিয়েই মই ভাবো।

২। শিক্ষা মাথো কিতাপ-বহীৰ মাজতে আৱদ্ধ থাকিব নালাগে। শিক্ষা হ'ব লাগে বাস্তৱধৰ্মী। বৰ্তমান সময়ত যদিও শিক্ষাক বাস্তৱধৰ্মী কৰিবলৈ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা হৈছে শিক্ষা এতিয়াও পৰীক্ষাকেন্দ্ৰিক হৈয়েই আছে। ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষাৰ বাবে পঢ়ে আৰু পৰীক্ষাৰ পিছতেই পাহৰি যায়। এনেকুৱা শিক্ষাই কোনো উপকাৰ সাধিব নোৱাৰে। বৰ্তমান সময়ত পাঠ্যক্ৰমৰ জ্ঞানৰ লগতে সহপাঠ্যক্ৰমিক কাৰ্য্যাৱলী সমূহকো সমানেই গুৰুত্ব দিয়া দৰকাৰ। শিক্ষা হ'ব লাগে এনেকুৱা, যিয়ে বেয়াৰ পৰা আঁতৰি থাকিবলৈ আৰু ভাল কাম কৰিবলৈ মানুহৰ মন-মগজুক প্ৰভাৱিত কৰে।

৩। সমাধান উলিয়াবলৈ হ'লে প্ৰথমে সমস্যাৰ কাৰণটো বিশ্লেষণ কৰা দৰকাৰ। ল'ৰা-ছোৱালীয়ে মাক দেউতাকক অৱজ্ঞা অৱহেলা কৰা আৰু আগৰ দৰে মাক-দেউতাকে ল'ৰা-ছোৱালীক শাসন কৰিবলৈ এৰি দিয়াৰ কাৰণ একেটাই বুলি মই ভাবো। সেয়া হ'ল— উভয়ৰে অধিক ব্যস্ততা মাক-দেউতাক উভয়ে চাকৰি কৰাৰ ফলত ল'ৰা-ছোৱালীৰ প্ৰয়োজন সমূহ, সিহঁতে কৰা ভাল-বেয়া দিশসমূহৰ অতি গুৰুত্ব দিব নোৱাৰে। ফলস্বৰূপে মাক-দেউতাক আৰু ল'ৰা-ছোৱালীৰ মাজত দূৰত্ব বাঢ়ি যায়। ইয়াৰ সমাধান হিচাপে মই ভাবো, মাক-দেউতাকে ব্যস্ততাৰ মাজতো ল'ৰা-ছোৱালীৰ মনৰ খবৰ লোৱাটো দৰকাৰ।

৪। এজন ছাত্ৰ হিচাপে মই সমাজৰ বাবে কৰিবলগীয়া বহু কামেই আছে। প্ৰথমেই মই মোৰ বন্ধু-বান্ধৱীসকলৰ লগত লগ হৈ সমাজৰ চুকে-কোণে সম্প্ৰীতিৰ বাৰ্তা পঠিয়াব বিচাৰো। যুৱ-প্ৰজন্মক যাতে কোনেও বিশৃংখল বুলি ক'ব নোৱাৰে তাৰ বাবে মোৰ প্ৰতিজন বন্ধু-বান্ধৱীৰ আৰু তেওঁলোকৰ জৰিয়তে তেওঁলোকৰ প্ৰতিজন বন্ধু-বান্ধৱীৰ সৎ আৰু সমাজমুখী মানসিকতা গঢ়ি তুলিব বিচাৰো। মই ভাবো যুৱ-প্ৰজন্ম সচেতন হ'লে সমাজৰ বহুতো সমস্যা সমাধানত যথেষ্ট সহজ হ'ব।

* * * * * * *

**ড° দীপাংকৰ শৰ্মা**

সহকাৰী অধ্যাপক, গণিত বিভাগ

১। অগ্ৰজসকলৰ সকলো ব্যক্তিয়ে ঋণাত্মক চৰিত্ৰৰ নিশ্চয় নহয়। আজিৰ প্ৰজন্মই তেওঁলোকৰ অগ্ৰজসকলৰ বেয়াখিনিক অনুসৰণ নকৰি যদি ভালখিনিক নিজৰ কৰ্মত প্ৰতিফলিত কৰিব পাৰিলেহেঁতেন, তেতিয়াহলে আমি বিশৃংখলতাৰ পৰা বহুখিনি আঁতৰত থাকিব পাৰিলোহেঁতেন। এই প্ৰজন্মৰ প্ৰতিগৰাকী ব্যক্তিয়ে ভৱিষ্যত প্ৰজন্মৰ বাবে এক ধনাত্মক অনুকৰণীয় আদৰ্শ হৈ আগত প্ৰজন্মৰ বাবে এই প্ৰশ্ন উপস্থাপনৰ সম্ভাৱনীয়তাক নুই কৰিব বুলি আশা ৰাখিলো।

২। "Education develops in the body and soul of the pupil all the beauty ...." –Plato. আমি লক্ষ্য কৰিছো— এটা

শ্ৰেণীত একেধৰণৰ শিক্ষা গ্ৰহণ কৰা ছাত্ৰসকলৰ মাজৰ এজনে ধ্বংসকাৰী বোমা প্ৰস্তুত কৰাৰ বিপৰীতে আন এজন ছাত্ৰই মানৱ কল্যাণৰ বাবে শক্তি আহৰণৰ এক বিকল্প উৎসৰ সন্ধানত ব্ৰতী হৈছে। এজনে গঠনমূলক কামেৰে সমাজক আগুৱাই নিয়াৰ সপোন দেখাৰ বিপৰীতে একেশ্ৰেণীত পাঠ গ্ৰহণ কৰা আন এজন সহপাঠীয়ে হয়তো একতাৰ দোলেৰে বান্ধখাই থকা বিভিন্ন জাতি জনগোষ্ঠীৰ মাজত বিভেদ অনাৰ প্ৰয়াস কৰিছে ব্যক্তিগত মুনাফাৰ বাবে। একে শিক্ষা গ্ৰহণৰ পাছতো কৰ্মৰ ক্ষেত্ৰত দুই বিপৰীত মেৰুত অৱস্থান কৰাৰ প্ৰকৃত কাৰণ হ'ল নৈতিকতাৰ অভাৱ। নীতিগত ভাবে নিজৰ, ঘৰখনৰ, সমাজখনৰ বা দেশৰ প্ৰতি দায়বদ্ধ ৰাখি সৰ্বাঙ্গীন উন্নতি সাধিবলৈ শিক্ষা ব্যৱস্থাই চেষ্টা কৰাৰ লগে লগে প্ৰত্যেক ব্যক্তিয়ে আত্মবিশ্লেষণ আৰু আত্মশুদ্ধিৰে কৰ্মত ব্ৰতী হব লাগিব।

৩। নিজকে তথাকথিত আধুনিক সজাবলৈ গৈ বহু ল'ৰা-ছোৱালীয়ে সময়ত তেওঁলোকৰ নিজৰে মাক-দেউতাকৰ পৰিচয় দিবলৈ টান পোৱা বা পিছৰ সময়ত মাক-দেউতাকক গুৰুত্ব নিদিয়াটো সঁচাকৈয়ে ভাৰতীয় সমাজ দৰ্শনৰ পৰিপন্থী আৰু ই গ্ৰহণযোগ্যও নহয়। প্ৰতিজন ব্যক্তিৰে জীৱনৰ প্ৰথম গুৰু হ'ল নিজৰ পিতৃ-মাতৃ। সেয়াই তেওঁলোকৰ প্ৰথম পৰিচয়। প্ৰতিটো পৰিয়ালতে এই দুই প্ৰজন্মৰ যুগমীয়া বান্ধোনে এখন সুস্থ সমাজ বা সমৃদ্ধিশালী জাতি এটা গঢ় দিব পাৰিব। অন্যহাতে অভিভাৱকসকলেও নিজৰ ল'ৰা-ছোৱালী সঠিক পথত বাট বোলাটো নিশ্চিত কৰাৰ প্ৰয়োজন। এই ক্ষেত্ৰত তেওঁলোকৰ দায়িত্বই মুখ্য।

৪। নিজৰ পৰিয়ালটোক শৃংখলিত ৰূপত গঢ় দিয়াটো প্ৰতিগৰাকী অভিভাৱকৰে দায়িত্ব বুলি ভাবো। নতুন প্ৰজন্মক সঠিক পথ দেখুৱাৰ ক্ষেত্ৰত সদায় কাম কৰিব খোজো। প্ৰত্যেক ব্যক্তিয়ে নিজৰ দায়িত্ব নিজৰ পৰিসৰৰ ভিতৰতে পালন কৰি গলে সমাজৰ উন্নতি অপৰিহাৰ্য। নতুন প্ৰজন্মৰ বাবে নিজকে এজন পথ প্ৰদৰ্শক হিচাবে সজাবলৈ সদায় চেষ্টা কৰিম।

* * * * * *

**কৰুণা কলিতা (প্ৰাক্তন ছাত্ৰ)**

সহকাৰী শিক্ষক, ডেকাচাং আঞ্চলিক হাইস্কুল

১। আজিৰ যুৱক-যুৱতীৰ অভাৱনীয় নৈতিক পতনৰ বাবে অগ্ৰজসকল অৰ্থাৎ অভিভাৱকসকল কিছু পৰিমাণে দায়ী। তেওঁলোকে নৱ প্ৰজন্মক এক বস্তুবাদী মানসিকতাহে উপহাৰ দিছে। তেওঁলোকে সিহঁতৰ কেৱল কেৰিয়াৰ গঢ়াতহে গুৰুত্ব দিয়ে। পৰীক্ষাত কিমান নম্বৰ পালে সেইটোহে খবৰ ৰাখে, কিন্তু সিহঁতৰ স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ ভাল কৰাত বিশেষ গুৰুত্ব দিয়া দেখা নাযায়। তদুপৰি আজিকালি অভিভাৱকসকলে নিজৰ সন্তানক দিছে অবাধ স্বাধীনতা, যিয়ে সিহঁতক সহজে বিপথে পৰিচালিত কৰাত ইন্ধন যোগাইছে। গতিকে দেখা গ'ল যে কিছু ক্ষেত্ৰত অগ্ৰজসকল দায়ী কিন্তু মোৰ ব্যক্তিগত মতামত কিছু বেলেগ। আমাৰ অগ্ৰজসকলৰ মাজত বহু সৎ-আদৰ্শবান ব্যক্তি আছে। নৱ প্ৰজন্মই তেওঁলোকৰ নীতি-আদৰ্শ অনুকৰণ কৰিব নোৱাৰে কিয়, তেওঁলোকে উপহাৰ দিয়া ঐতিহ্য-সংস্কৃতিৰ ৰক্ষক হ'ব নোৱাৰে কিয়? প্ৰকৃততে যুৱ-প্ৰজন্মৰ বিশৃংখলতাৰ কাৰণ হৈছে প্ৰযুক্তিৰ অপব্যৱহাৰ, নিচাপ্ৰিয়তা আৰু আধুনিক হোৱাৰ এক অঘোষিত প্ৰতিযোগিতা।

২। এইটো সকলোৰে বোধগম্য হৈছে যে যুৱ প্ৰজন্মৰ সুস্থ অৱস্থা ঘূৰাই আনিবলৈ হ'লে বৰ্তমান প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ এক আমূল পৰিৱৰ্তন সাধন কৰিব লাগিব। আজিকালিৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক আধুনিক আৰু তথ্য-প্ৰযুক্তিগত দিশত অধিক দক্ষ কৰি তুলিছে যদিও নৈতিক আৰু আধ্যাত্মিক দিশত সঠিক অৱিহণা যোগাব পৰা নাই যাৰ ফলস্বৰূপে সমাজখনে আজিৰ এই অস্থিৰ অৱস্থা পাইছেহি। এইক্ষেত্ৰত ক'ব পাৰি শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক মানসিক, আধ্যাত্মিক আৰু সামাজিক দিশত সুশিক্ষিত কৰি তুলিব পৰা নাই। সেয়ে বৰ্তমান সময়ত Value Education ৰ প্ৰয়োজন হৈছে যিয়ে নৱ-প্ৰজন্মক নৈতিক আৰু আধ্যাত্মিক দিশত শক্তিশালী কৰি গঢ়ি তুলিবলৈ সক্ষম হয়।

৩। আজিকালি যদিও অবাধ স্বাধীনতাৰ যুগ, বহুক্ষেত্ৰত ই অঘটনৰ কাৰণো হৈ পৰা দেখা যায়। সেয়ে শিক্ষানুষ্ঠান আৰু ঘৰুৱা পৰিবেশত কিছু অনুশাসন থকাটো বাঞ্চনীয়। এইক্ষেত্ৰত অভিভাৱকসকলৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। সৰুৰে পৰাই মাক-দেউতাকে ল'ৰা-ছোৱালীক সুশৃংখল আৰু নমনীয় কৰি গঢ়ি তুলিবলৈ যত্নপৰ হ'ব লাগে। ল'ৰা-ছোৱালী পঢ়া-শুনাত ভাল হোৱাৰ লগে লগে চৰিত্ৰবান হয় এই বিষয়ে অভিভাৱকে লক্ষ্য ৰাখিব লাগে যাতে আজিৰ ল'ৰা-ছোৱালী কাইলৈ সুনাগৰিক হৈ সমাজ তথা দেশৰ সুস্থ অগ্ৰগতিত বৰঙণি যোগাব পাৰে।

৪। বৰ্তমানৰ অস্থিৰ-ৰুগীয়া সমাজখনক সুস্থ বাসোপযোগী কৰি তুলিবলৈ ব্যক্তিগত পৰ্যায়ত যিমান দূৰ সম্ভৱ কৰিবলৈ মই সদা প্ৰস্তুত। পেছাত মই এজন শিক্ষক। শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰমৰ লগতে সিহঁতৰ নৈতিক আৰু আধ্যাত্মিক দিশৰ উন্নতি কৰাত পাৰ্যমানে চেষ্টা কৰি আহিছো। Value Educationৰ ওপৰত বিভিন্ন ঠাইত Workshop কৰাৰ মন আছে। এইক্ষেত্ৰত মই গুণী-জ্ঞানী ব্যক্তিৰ সহযোগ বিচাৰিছো। Workshop কৰাৰ মন আছে। এইক্ষেত্ৰত মই গুণী-জ্ঞানী ব্যক্তিৰ সহযোগ বিচাৰিছো। Workshopৰ নিচিনাকৈ ল'ৰা-ছোৱালীবোৰৰ কিছুমান বাস্তৱ পৰিস্থিতিৰ সন্মুখীন কৰি সেই নিৰ্দিষ্ট পৰিস্থিতিসমূহত কেনেকুৱা

অভিব্যক্তি কেনে হোৱা উচিত এই সম্পৰ্কে দিহা-পৰামৰ্শ দিলে সিহঁত নিশ্চয় উপকৃত হ'ব বুলি মই ভাবো। অৱশেষত ক'ব খুজিছো যে আমি আটাইবোৰ সচেতন হ'বৰ হ'ল। পৰিস্থিতি ইমান বেয়াৰ ফালে ঢাল খাইছে যে কোনো ব্যক্তি বিশেষে অকলে ইয়াৰ সমাধান কৰিব নোৱাৰে। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ একমুখী কাৰ্যপন্থাইহে আজিৰ নৱ প্ৰজন্মৰ বিশৃংখলতা দূৰ কৰি সমাজখনৰ সুস্থ অৱস্থা ঘূৰাই আনিব পাৰিব।

* * * * * * *

লক্ষীকান্ত শৰ্মা

সাধাৰণতে বৰ্তমানৰ বিশৃংখলময় পৰিবেশৰ কাৰণে যুৱক চামকে দোষাৰোপ কৰা হয়। কিন্তু যুৱকসকল ইয়াৰ কাৰণে অকলে দায়ী নহয়। যুৱকসকলৰ উশৃংখলতাৰ কাৰণে অগ্ৰজসকলৰ ভূমিকাও কম বুলি কব নোৱাৰি। অসমীয়াত এষাৰ কথা আছে— "আগৰ হাল যেনি যায়, পিছৰ হালো তেনি যায়।" অৰ্থাৎ অগ্ৰজসকলে যি পথে গৈছে অনুজসকলো সেই পথেৰে যাব। কিন্তু এটা কথা কব লাগিব যে অগ্ৰজ মাত্ৰেই উশৃংখল নহয় বা যুৱক মাত্ৰেই উশৃংখল নহয়। সমাজৰ অগ্ৰজ এটা চামে অনায়াস লব্ধ ধন-ঐশ্বৰ্যৰ প্ৰাচুৰ্যতাত মোহাচ্ছন্ন হৈ দিগ্-বিদিক্ হেৰাই এনেভাবে অন্ধ হৈ পৰে যে তেওঁলোকৰ মাজত মানৱতা, নৈতিকতা আদি সকলো মানৱীয় প্ৰমূল্যবোধ নোহোৱা হৈ যায়। ফলত তেওঁলোকে নিজৰ সা-সন্তানসকলক চম্ভালিব নোৱাৰা হয়। সেইসকল সন্তানেই সাধাৰণতে গুৰু-গোঁসাই নমনা হয়।

এনে উশৃংখলময় পৰিবেশ ৰোধ কৰাৰ কাৰণে প্ৰথমতে অভিভাৱকসকল সতৰ্ক আৰু সজাগ হোৱাৰ প্ৰয়োজন আছে। অভিভাৱকসকলে সজ আচৰণ আৰু সৎ পথ দেখুৱাব পাৰিলে তেওঁলোকৰ সন্তান সকলেও সৎপথেৰে বাট বুলিব পাৰিব। ত্যাগ আৰু আদৰ্শৰ যি মহান পৰম্পৰা ভাৰতীয় সংস্কৃতিত আছে সেয়া অনুসৰণ কৰিব পাৰিলে নিশ্চয় এখন সুশৃংখল তথা সুন্দৰ সমাজ গঢ়ি তুলিব পৰা যাব।

২। এই পৃথিৱীত মানুহ হৈছে এনে এবিধ প্ৰাণী যাক বুজা, নিয়ন্ত্ৰণ কৰা তথা প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰাটো অতি কঠিন। বিশেষকৈ তেওঁলোকৰ মনত কি ভাৱে ক্ৰিয়া কৰি থাকে তাক বুজাটো অসম্ভৱ। সেয়ে মানুহ নামৰ এই প্ৰাণীবিধক চম্ভালাটো সহজ নহয়। মানুহক জ্ঞান প্ৰদান কৰি জ্ঞানী কৰি তুলি এক সুশৃংখল ৰূপত গঢ় দিবৰ কাৰণেই বেদ-উপনিষদৰ যুগৰ পৰাই মূল্যবোধৰ শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি অহা হৈছিল। কিন্তু বৰ্তমানৰ শিক্ষা ব্যৱস্থাই মানুহক প্ৰকৃত মানুহ কৰি তোলাত যেন ব্যৰ্থ হৈছে। খবৰ কাগজত আজি-কালি প্ৰায়েই পঢ়িব পোৱা যায় যে ৮০ বছৰীয়া বৃদ্ধৰ পৰা নাবালক ল'ৰালৈ সকলো যেন অনৈতিক আৰু ভ্ৰষ্টাচাৰী কাৰ্যত লিপ্ত। গুৰু-শিষ্যৰ সম্বন্ধটো যেন যতি পৰি আহিছে। মানৱ সমাজৰ কাৰণে ই যেন মচিব নোৱাৰা কলংক।

বৰ্তমান ভয়ংকৰ ৰূপ ধাৰণ কৰা সমাজৰ এই অৱক্ষয় তথা নৈতিকতাৰ স্খলন ৰোধ কৰাৰ কাৰণে বৰ্তমানৰ শিক্ষাৰ আমূল সংস্কাৰ সাধন কৰাৰ প্ৰয়োজন আছে। বেদ-উপনিষদ যুগৰ মূল্যবোধৰ শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব। পৰীক্ষাত বেছি নম্বৰ পোৱাৰ প্ৰতিযোগিতাতকৈ প্ৰকৃত মানুহ গঢ়াৰ ওপৰত মনোনিবেশ কৰিব লাগিব। ত্যাগ, আদৰ্শ আৰু উচ্চ নৈতিকতাবোধৰ জ্ঞানেৰে সমৃদ্ধ শিক্ষা প্ৰদান ব্যৱস্থাৰ অতীব প্ৰয়োজন হৈ পৰিছে। তেতিয়াহে সম্ভৱ সমাজত ঘটি থকা লজ্জাজনক ঘটনাবোৰ ৰোধ কৰিব পৰা যাব।

৩। এই প্ৰশ্নৰ সন্দৰ্ভত ক'ব পাৰি যে সকলো ল'ৰা-ছোৱালয়ে মাক-দেউতাকক অৱহেলা বা অৱজ্ঞা কৰা দেখা নাযায়। সেইদৰে সকলো মাক-দেউতাকেও ল'ৰা-ছোৱালীক শাসন নকৰাকৈ নাথাকে বা অবজ্ঞাও নকৰে।

একো একোটা পৰিয়াল চালিত হয় বা পৰিয়ালটোৱে গঢ় লয় সেই পৰিয়ালৰ সংস্কাৰ তথা জীৱন-ধাৰণৰ পদ্ধতিৰ ওপৰত নিৰ্ভৰ কৰি। যিবিলাক পৰিয়ালত কোনো বান্ধোন বা শাসন নাথাকে সেই পৰিয়ালৰ ঘৰবোৰ জেওৰা বা বেৰ নথকা পথাৰৰ নিচিনা। সেই পৰিয়ালত সাধাৰণতে সন্তানৰ প্ৰতি বাপেক-মাকৰ নতুবা বাপেক-মাকৰ প্ৰতি সন্তানৰ কোনো খবৰ নাথাকে। সেয়ে তেওঁলোকৰ মাজত পাৰস্পৰিক অৱজ্ঞা কৰাৰ প্ৰৱণতা গঢ়ি উঠে।

এনে পৰিস্থিতিৰ নিৰাময়ৰ কাৰণে পৰিয়ালত মূল্যবোধৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগিব। পিতৃ-মাতৃক শ্ৰদ্ধা কৰা, ডাঙৰক সন্মান কৰা, সৰুবোৰক মৰম-চেনেহ কৰা নিজৰ ল'ৰা-ছোৱালীক মৰম-আগৰ কৰা আদি স্বাভাৱিক আচৰণবোৰ যাতে পৰিয়ালত অটুট থাকে তাৰ প্ৰতি ঘৰৰ প্ৰতিজন সদস্যই মন দিয়া উচিত। এনে পৰিবেশত কোনেও কাকো অৱজ্ঞা বা অৱহেলা কৰাৰ অৱকাশ নাথাকে।

৪। ব্যক্তিৰ সমষ্টিয়ে সমাজ। সমাজখন ভাল হ'বলৈ হলে সমাজৰ প্ৰতিজন ব্যক্তিয়ে ভাল হব লাগিব। তেতিয়াহে এটা সুস্থ সামাজিক পৰিৱেশ গঢ়ি উঠিব পাৰে। সেয়ে এজন অভিভাৱক বা সমাজৰ হিতচিন্তক হিচাপে নিজৰ পৰিয়ালটোৰ লগতে সমাজৰ মঙ্গল কামনা কৰোঁ। ইয়াৰ কাৰণে গাঁওখনত বা সমাজখনত যাতে মদ, ভাং তথা জুৱা আদিৰ প্ৰচলন নহয়, ব্যভিচাৰ, দুৰ্নীতি আদি গা-কৰি উঠিব নোৱাৰে, সমাজৰ লোকসকলৰ মাজত মিলা-প্ৰীতি তথা সদ্ ভাব গঢ়ি উঠে তাৰ কাৰণে সমাজৰ প্ৰতিজন লোকক সজাগ আৰু সচেতন কৰি তোলাৰ কামত ব্ৰতী হব লাগিব।

এজন ছাত্ৰৰ প্ৰধান কৰ্তব্য হ'ল নিজৰ পাঠ্যপুথি অধ্যয়ন কৰা।

গতিকে প্ৰতিজন ছাত্ৰই পঢ়া-শুনা কৰিবই লাগিব। পঢ়া-শুনাৰ উপৰিও ঘৰৰ যাৱতীয় কিছুমান কামো ছাত্ৰসকলে কৰিবই লাগে। তেতিয়াহে ছাত্ৰ এজন স্বাৱলম্বী হব পাৰিব। আজিৰ ছাত্ৰসকলে যিহেতু ভৱিষ্যতে দেশ নিৰ্মাতা হব সেয়ে প্ৰতিজন ছাত্ৰই সমাজ তথা দেশৰ ঘটনা প্ৰৱাহৰ ওপৰত সজাগ তথা সুতীক্ষ্ণ দৃষ্টি ৰখাটো নিতান্তই প্ৰয়োজন।

* * * * * *

**অনুপম কলিতা, প্ৰাক্তন ছাত্ৰ**

১। নাই! ১০০ শতাংশই ইয়াক সন্মতি জনাব নোৱাৰি। হয় কিছু কিছু ক্ষেত্ৰত অগ্ৰজসকলৰ দ্বাৰাও আমাৰ তেনেকুৱা এটা পৰিৱেশ হৈছে। কিন্তু কথা এষাৰ আছে যে— 'নিজ ভালেই জগত ভাল'। গতিকে আমি নৱীনসকলেই যদি প্ৰত্যেকেই তেনেকুৱা এটা পৰিৱেশৰ বিৰুদ্ধাচৰণ কৰি আগবাঢ়ো তেন্তে ইমান এটা সমস্যা নাই বুলি ভাবো। মই এইটো ক'ব খোজা নাই যে অগ্ৰজসকলে এটা বিশৃংখল পৰিৱেশ সৃষ্টি কৰি ফুৰিব আৰু আমি তাক লক্ষ কৰি আগুৱাই যাম। কৰণীয় আমাৰ সকলোৰে আছে। কেৱল অগ্ৰজ বা নৱীন এটাকে টানি আনিলে নহব। সমাজ-পৰিৱেশ সুস্থ কৰি ৰাখিবলৈ হ'লে আমি প্ৰত্যেকেই সুস্থভাৱে অৰিহণা যোগাব লাগিব।

২। কেনেকুৱা শিক্ষা মানে! সৰুৰ পৰাই বছৰ বছৰ ধৰি লৈ থকা শিক্ষাই জানো ইয়াৰ বাবে উপযুক্ত নহয়?

৩। এইটো সম্পূৰ্ণৰূপে গ্ৰহণযোগ্য নহয় যেন মাক-দেউতাকে আজিকালি ল'ৰা-ছোৱালীক শাসন কৰিবলৈ এৰি দিছে। শাসন আগতেও কৰিছিল, এতিয়াও কৰে। মাথো শাসন কৰাৰ কিছুসংখ্যক পদ্ধতি বা ধাৰণাৰ হয়তো সলনি হৈছে। অৱশ্যে কিছুসংখ্যক অভিভাৱকৰ পৰা ইয়াৰ ব্যতিক্ৰম দেখা যায়। এইখিনিৰ পৰা সমাধান কি কম। অভিভাৱকসকল নিজস্বভাৱেই সচেতন হ'ব লাগিব। পৰিয়ালৰ প্ৰত্যেকজন মানুহে প্ৰতিটো জীৱন যেতিয়া এটা নিজ নিজ জীৱন বুলি ভাবিব বাদ দি নিজৰ জীৱনটোক এটা পৰিয়াল বুলি ভাবিব তেতিয়া শাসনৰ জৰীডাল এনেই গঠন হ'ব।

হয়। বৰ্তমান সময়ত সেইটো প্ৰায়ে দেখা যায় যে ল'ৰা ছোৱালীয়ে মাক-দেউতাকক প্ৰায়ে অৱজ্ঞা কৰা দেখা যায়। ইয়াৰ সমাধান বুলি ক'লে মই ইয়াক ইমান বহল দৃষ্টিত দাঙি ধৰিব নোৱাৰিম। তথাপি কওঁ মাক-দেউতাকে যদি সৰুৰ পৰাই ল'ৰা-ছোৱালীৰ লগত বন্ধুত্বসুলভ মনেৰে জীৱন অতিবাহিত কৰে তেন্তে ইয়াৰ কিছু সমাধান পোৱা যাব বুলি মই ভাবো। আৰু মাক-দেউতাকৰ বাৰ্দ্ধক্যৰ সময়ত যিটো ল'ৰা-ছোৱালীৰ পৰা অৱজ্ঞাৰ কথা কোৱা হয়— সেইটোৰ সমাধান দিব লগা একো নাই। কাৰণ সমাধান আমি নিজেই। কাৰণ আমি মানুহ। মানুহৰ যদি মানৱতা নাথাকে তেন্তে কাৰ থাকিব?

৪। বৰ্তমান সময়ত মই এজন অভিভাৱকো নহয় বা ছাত্ৰও নহয়। তথাপি ছাত্ৰ জীৱন এৰা যিহেতু বেছি দিন হোৱা নাই সেইবাবে নিজকে ছাত্ৰ বুলিয়ে ভাবি ভাল লাগে।

কথা এটা কওঁ— আজিৰ নৱ প্ৰজন্মৰ প্ৰায়সংখ্যকে পৃথিৱীখন কিবা এটা নতুনকৈ চাবলৈ বিচাৰে। কিন্তু তেনেকৈ চাবলৈ যাওঁতে যদি কিবা এটা বিশৃংখল পৰিৱেশৰ সৃষ্টি হয়, তেন্তে ই কেতিয়াও সহনীয়, নহয়, সেইটো হয়। উদাহৰণস্বৰূপে ছানি লিঅনৰ দৰে পোৰ্ণষ্টাৰে ভাৰতবৰ্ষৰ নিচিনা দেশ এখনৰ বলিউদত অভিনয় কৰিব পাৰে, হানি সিংৰ দৰে গায়ক এজনে যদি অগ্ৰহণযোগ্য কথাৰে গান গাব পাৰে তেন্তে আমি কত? এনেকুৱা ধৰণৰ ধাৰণাৰে আজিৰ নৱ-প্ৰজন্মক থকা সৰকা কৰি পেলাইছে। গতিকে দায়িত্ব অকল নৱীনসকলৰে নহয়।

* * * * * * *

**ভবেশ চন্দ্ৰ গোস্বামী, প্ৰাক্তন উপাধ্যক্ষ**

১। বিশৃংখলা এটি নেতিবাচক শব্দ। আমি ভালপোৱা শৃংখলাৰ বিপৰীতে বিশৃংখলাৰ প্ৰতি এক মনস্তাত্বিক বিৰক্তিকৰ প্ৰকাশ। অনুভূতিশীল ব্যক্তিৰ বাবে বিশৃংখলা বৰ যন্ত্ৰণাদায়ক অভিজ্ঞতা। বৰ্তমান সময়ত বিশৃংখলা নামৰ দৈত্যটোৱে সৰ্বগ্ৰাসী ৰূপ ধাৰণ কৰিছে। সামাজিক জীৱন, শিক্ষা, সংস্কৃতি, কৰ্মক্ষেত্ৰ, ধৰ্মীয়ক্ষেত্ৰ সকলোতে বিশৃংখলতাৰ অনিয়ন্ত্ৰিত ৰাজত্ব চলিছে। কিন্তু বিশৃংখলতা অগ্ৰজসকলে উপহাৰ দিয়া কথাটো উদ্ভট কথা। অগ্ৰজ বুলি কোনো এটা শ্ৰেণীকেই বিশৃংখলতাৰ প্ৰতিনিধিত্বকাৰী বুলি বা বিশৃংখলতাক উপহাৰ দিয়া বুলি ক'লে সামাজিক শৃংখলতাক ভাল লগা দিশটোক অগ্ৰজ শ্ৰেণীয়ে উপেক্ষা কৰি আহিছিল বুলি অভিযোগৰ আঙুলি টোওৱা যেন অনুমান হয়। প্ৰকৃততে আধুনিক কালত দেশ, সমাজত যি বিশৃংখলতাৰ পৰিবেশ সৃষ্টি হৈছে সেয়া অপসংস্কৃতিক সংস্কৃতি বুলি প্ৰমূল্যহীন ভোগ সৰ্বস্ব জীৱন একোটাৰ গৰাকী হব খোজা প্ৰতিযোগিতাইহে যে আগ্ৰাসী ভূমিকা লৈ সমাজক বিশৃংখল পৰিৱেশ উপহাৰ দিছে সেয়া সমাজ সচেতন ব্যক্তি মাত্ৰেই অস্বীকাৰ কৰিব নোৱাৰে।

২। নৱ প্ৰজন্মৰ লগতে উচ্চ শিক্ষিত লোকে যে সমাজ ধ্বংসৰ বাবে ভয়ংকৰ ৰূপত অৱতীৰ্ণ হৈছে সেয়া সমাজদৰ্শীলোকে প্ৰতি উদ্বিগ্নতাৰে লক্ষ্য কৰিব লগা হৈছে সেয়া অনস্বীকাৰ্য্য। এনেচাম লোকক অৱশ্যে তথাকথিত উচ্চ শিক্ষিত লোক বুলিহে আখ্যা দিব পাৰি। এনেচাম লোক প্ৰকৃত অৰ্থত শিক্ষিত নহয়। বিপৰীতে উচ্চ ডিগ্ৰী আহৰণ কৰি শিক্ষিত পৰিচয় প্ৰকাশ বাচিলেও এইচাম লোক শিক্ষিতৰ পৰিচয় অৱলুপ্তি ঘটিব পৰা বহু নিকৃষ্ট কৰ্মকাণ্ড— যিবোৰ সমাজ বিৰোধী আৰু প্ৰতিক্ৰিয়াশীল তেনে কৰ্ম-কাণ্ডৰেই সমাজক ত্ৰাসিত কৰা বিষয়টো সঁচাকৈয়ে উদ্বেগজনক। ইয়াৰ বাবে

নিশ্চয় জীৱন গঢ়াৰ আদি পাঠ পৱিত্ৰ গঠনৰ বিষয়টোৱে যিকোনো কাৰণতেই হওক উচ্চ শিক্ষিত জনৰো বুনিয়াদী শিক্ষা গ্ৰহণৰ স্তৰত বাৰুকৈয়ে অনুপস্থিত আছিল বুলি প্ৰতীয়মান হয়।

বৰ্তমান সময়ত দেশ, সমাজ ৰক্ষাৰ স্বাৰ্থত প্ৰকৃত মানুহ গঢ়াৰ প্ৰতি লক্ষ্য ৰাখিয়েই ৰাষ্ট্ৰই নৈতিক, আধ্যাত্মিক আৰু প্ৰমূল্যবোধক আদৰ্শকেন্দ্ৰিক সমাজ, সংস্কাৰমূলক তথা মানৱ সম্পদৰ বিকাশশীল শিক্ষা ব্যৱস্থা প্ৰৱৰ্তনৰ প্ৰয়োজন বুলিহে ভাবো।

৩। এনে পৰিস্থিতিৰ বাবে সমাজৰ সকলো স্তৰৰ মানুহৰ ক্ষেত্ৰতে প্ৰশ্ন সংলগ্ন অভিমতখিনি প্ৰযোজ্য নহয়। চহৰৰ মধ্যবিত্ত বা উচ্চ বিত্তৰ এটা অংশৰ ল'ৰা-ছোৱালীৰহে এনে অশিষ্ট আচৰণ চকুত পৰা হৈছে। এনে শ্ৰেণীৰ অভিভাৱকেহে যিসকল দুৰ্নীতিগ্ৰস্ত, অসৎ উপায়ে ভোগ-সম্ভোগৰ বাবে অহৰহ ব্যস্ত থাকে, তেনেচাম লোকে নিজৰ ল'ৰা-ছোৱালীক শাসন কৰাৰ নৈতিক অধিকাৰ হেৰুৱাই নিজেও অৱহেলাৰ, অৱজ্ঞাসূচক আচৰণ প্ৰাপ্য বুলিয়েই মানি ল'ব লগা হৈ শাসন অনুশাসনৰ শিক্ষাক জলাঞ্জলি দিব লগা হৈছে। কিন্তু বিপৰীতে সৎ, নীতিবান আৰু বিবেকবান পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীৰ পৰা প্ৰশ্নত উল্লেখিত নেতিবাচক অভিজ্ঞতাৰ সন্মুখীন হব লগা হোৱা নাই। তেনে পিতৃ-মাতৃয়ে ল'ৰা-ছোৱালীক সৎ আৰু সুনাগৰিক হিচাপে গঢ়ি তোলাৰ স্বাৰ্থতেই অদ্যপৰিমিত সন্তান সকলক শাসন কৰিবলৈ এৰি দিয়া নাই। ইয়াৰ সমাধান হিচাপে অভিভাৱকসকলে সন্তানক প্ৰকৃত অৰ্থত মানুহ হিচাপে গঢ়ি তোলাৰ বাবে অহৰহ প্ৰচেষ্টা হাতত ল'ব লাগে। ইয়াকে কৰিবলৈ যাওঁতে নিজেও মানুহ হব লাগিব। কোনো কাৰণতেই মাক-দেউতাক আদৰ্শবৰ্জিত কাম-কাজত লিপ্ত থাকিব নালাগিব। দুৰ্নীতিক প্ৰশ্ৰয় নিদি স্ব-উপাৰ্জিত ধনেৰেইহে সন্তান-সন্ততিক মানুহ কৰাৰ নৈতিক বলেৰে বলবান হৈ ভূমিকা পালন কৰিব লাগিব। তেতিয়াহে সন্তান-সন্ততিয়ে তেনে পিতৃ-মাতৃক অৱজ্ঞা-অৱহেলা কৰাৰ দৰে অনৈতিক আচৰণ কৰাৰ অশুভ পৰিবেশ সৃষ্টি নহব। সেয়ে এগৰাকী অভিভাৱক হিচাপে নৱ-প্ৰজন্মৰ স্বাৰ্থত অপসংস্কৃতিমূলক যিকোনো কাৰ্যসূচীৰ বিৰোধিতাৰে সুস্থ সংস্কৃতিৰ বাতাবৰণ গঢ়ি তোলাৰ স্বাৰ্থত যিকোনো ৰাজহুৱা স্থান, মন্দিৰ, নামঘৰ, সংঘ আদিত এনে কল্যাণকামী আৰু আদৰ্শপূৰ্ণ দেশ, সমাজ গঢ়াৰ বাবে আদৰ্শনিষ্ঠ লোক, শিক্ষাবিদ, সমাজবিদ সকলক লৈ জনমত গঠন কৰাৰ বাবে ৰাজহুৱা অভিবৰ্তনৰ পোষকতা কৰো। এনে অভিৱৰ্তনৰ যোগেদি সমাজৰ দুস্কৃতিৰ স্বৰূপ উদঙাই ইয়াৰ বিৰুদ্ধে সুস্থ সাংস্কৃতিক বাতাবৰণ গঢ়াৰ বাবে এক জনজাগৰণ সৃষ্টি কৰাৰ প্ৰয়াস কৰো।

* * * * * * *

**মনামী ডেকা, দ্বাদশ (কলা) শ্ৰেণী**

১। অগ্ৰজসকলে আমাক মাত্ৰ পথ দেখুৱাব পাৰে, পথটো পাৰ হবৰ বাবে কি উপায় অৱলম্বন কৰিম সকলো আমাৰ ওপৰত নিৰ্ভৰ কৰে। অগ্ৰজসকলে পুৰণি অলাগতিয়াল চিন্তাধাৰা বাদ দি অনুজসকলক আগুৱাই যোৱাত সহায় কৰাৰ লগতে অনুজ সকলেও বিশৃংখলতাৰ পৰা আঁতৰি থাকিব লাগিব। এই ক্ষেত্ৰত কেৱল অগ্ৰজসকলক দায়ী নকৰি আমি নিজেওঁ ইতিবাচক দৃষ্টিভঙ্গী গ্ৰহণ কৰি জীৱন গঢ় দিলে এই বিশৃংখলতা নিশ্চয় হ্ৰাস পাব।

২। বৰ্তমান সময়ত অধিক লক্ষণীয় কথাটো হৈছে যে শিক্ষিত লোকৰ হাততেই মানৱতা ভূলুণ্ঠিত হৈছে, নৈতিক বিচাৰ বিবেচনা হেৰাই গৈছে। ইয়াৰ বাবে কিছু পৰিমাণে শিক্ষা ব্যৱস্থাও দায়ী। ব্যক্তি যদি বিবেকবান নহয়, তেতিয়া সমাজত বহু গুৰুতৰ সমস্যাৰ সৃষ্টি হব পাৰে। ব্যক্তি বিবেকবান হবৰ বাবে প্ৰদান কৰা শিক্ষা ব্যৱস্থাও সঠিক হব লাগিব। বৰ্তমান সময়ৰ আটাইতকৈ প্ৰয়োজনীয় শিক্ষা হৈছে মানৱতাৰ শিক্ষা, নৈতিকতাৰ শিক্ষা আৰু মূল্যবোধৰ শিক্ষা।

৩। সন্তান আৰু পিতৃ-মাতৃৰ সম্পৰ্ক সদায় মধুৰ হব লাগে। বন্ধুৰ নিচিনাকৈ পিতৃ-মাতৃয়ে সন্তানক মৰম কৰিব লাগে, শাসন কৰিব লাগে, সহায় কৰিব লাগে। পিতৃ-মাতৃৰ পৰা সঁহাৰি নাপালে সন্তান অকলশৰীয়া হয়। পিতৃ-মাতৃক অৱজ্ঞা কৰিবলৈ লয়। সিহঁত উশৃংখল হব পাৰে। আনহাতে পিতৃ-মাতৃয়ে সন্তানক অতি কষ্টেৰে ডাঙৰ দীঘল কৰে। গতিকে সন্তানেও পিতৃ-মাতৃৰ প্ৰতি নিজৰ দায়িত্ব পালন কৰিব লাগে।

৪। এগৰাকী ছাত্ৰী হিচাপে এই বিশৃংখল সমাজখনৰ বাবে এক সুন্দৰ আৰু অধ্যয়নপুষ্ট পৰিবেশৰ সৃষ্টি কৰিবলৈ বিচাৰিম। যেয়ে এই সমাজখনক ধ্বংস হোৱাৰ পৰা বচাব পাৰে। আশা কৰিছো সচেতন অভিভাৱকসকলে অন্যান্য অভিভাৱকসকলক তেওঁলোকে যুৱ প্ৰজন্মৰ প্ৰতি গ্ৰহণ কৰা নেতিবাচক মনোভাববোৰক মনৰ পৰা আঁতৰাব পাৰিব। মই ছাত্ৰী হিচাপে ফেচবুক, টুইটাৰ ব্যৱহাৰৰ লগতে মনটোক সদায় অধ্যয়নপুষ্ট কৰি ৰাখিব খোজো। ভাল উপন্যাস, গল্প, কবিতা, জীৱনী, প্ৰবন্ধ ইত্যাদি পঢ়ি যাব বিচাৰো। এইবোৰে আমাক সমাজৰ অন্য জীৱনৰ লগতো চিনাকী কৰাই দিয়ে। সমাজত যিবোৰ ল'ৰা-ছোৱালীয়ে এতিয়াও শিক্ষাৰ পোহৰ পোৱা নাই, এসাজ খালে দুসাজ লঘোনে থাকিবলগীয়া হয়, সেইসকলৰ অভাৱী জীৱনৰ লগত চিনাকী হৈ তেওঁলোকক এক সুন্দৰ জীৱনৰ অধিকাৰী কৰি দিবলৈ বিচাৰো। "Though no one can go back and make a brand new start, but everyone start from now and make a brand new ending."

# গল্প
# গুচ্ছ

# গল্প এটাৰ অন্তৰালত

পৰীস্মিতা দাস
স্নাতক ষষ্ঠ ষাণ্মাসিক

অমা, গল্প এটা লিখিব লাগে। কি বিষয়ে লিখো ভাবিবই পৰা নাই। কি বিষয়ে লিখিমনো কচোন। ঃ মইনো কি কম। সৰুৰ পৰা কিমান ধৰণৰ যে ঘটনাৰ সন্মুখীন হৈছে, লিখ আকৌ তাৰ মাজেৰে কিবা এটাৰ বিষয়ে। নিজৰ বিষয়েই লিখ। শৈশৱৰ বিষয়ে লিখ। তইঁতৰ শৈশৱ আৰু আজিৰ শৈশৱৰ মাজত দেখা পোৱা পাৰ্থক্যক উপস্থাপন কৰিয়েইচোন লিখিব পাৰি এটা ধুনীয়া গল্প। —– কাম কৰি থাকিয়েই মাই ক'লে।

ঃ অ' বা প্ৰেমৰ গল্প লিখ। তইতো এনেয়ে বহুত ৰোমান্টিক। মজা লাগিব। — পঢ়া মেজৰ পৰা ভন্টিৰ মাত।

ঃ বৰ্তমান সময় হৈছে সাহিত্যৰ মাজেৰে সমাজক বাট দেখুওৱা সময়। মাথো নিজৰ কথা লিখি থাকিলেই জানো হ'ব। সমাজত প্ৰচলিত সকলো দুৰ্নীতি-দুস্কৃতি, অন্যায়-অত্যাচাৰ, কু-সংস্কৃতিৰ বিৰুদ্ধে কলম হাতত তুলি ল'ব লাগিব সাহিত্যিক সকলে। সমাজত প্ৰতিদিনে ঘটি আছে এইবোৰ। তেনেকুৱা কিবা এটা ঘটনাৰ আলম লৈয়েই লিখ। মন কৰিবি, যাতে গল্পটোত আদৰ্শ এটা থাকে। — আমাৰ কথাবোৰ শুনি পঢ়ি থকা আলোচনীখনৰ পাতৰ পৰা মুৰ তুলি দেউতাই ক'লে।

কাগজ কলম হাতত লৈ বহি আছো পঢ়া মেজৰ সন্মুখত। উদ্দেশ্য- গল্প এটা লিখা। কলেজৰ আলোচনী সম্পাদকে কৈছিল আলোচনীৰ বাবে গল্প এটা লিখিবলৈ। আলোচনী সম্পাদকজন মোৰ চিনাকি। আলোচনীখনৰ বাবে কবিতা এটা দিওঁতে তেওঁৰেই ক'লে— কবিতা হেনো ইতিমধ্যে বহুত জমা হৈছে। মই গল্প এটা লিখিব লাগে আলোচনীখনৰ বাবে। কথাটো কেতিবাই কৈছিলে। কিন্তু মেয়েই এলাহতে আজি লিখিম কাইলৈ লিখিম বুলি ভাবি থাকোতে সময়বোৰ পাৰ গ'ল। কাইলৈ গল্পটো জমা দিয়াৰ শেষ তাৰিখ। অৱশ্যে লিখো বুলিয়েই গল্প এটা লিখি দিব পৰাকৈ নাই বা মই যি লিখো তাকেই পাঠকে ভাল পাবলৈ মই কোনো প্ৰখ্যাত গল্পকাৰ নহয়। স্থানীয় আলোচনী সমূহত আৰু বাতৰি-কাকতৰ যুৱক-যুৱতীৰ শিতানত দুই-এটা লিখো মাজে-সময়ে আৰু সেইবোৰকে কেতিয়াবা কোনো কোনোৱে পঢ়ি ভাল পায়। কোনো কোনোৱে ফোনও কৰে পঢ়ি ভাল লগা বুলি ক'বলৈ। সেয়েহে দায়বদ্ধতা এটা থাকে গল্পটো ভালকৈ লিখাৰ বাবে। এই গল্পটোও যেন আন গল্পবোৰৰ দৰেই সকলোৱে আদৰি লয় এনেদৰে ভাবি ভালকৈ লিখিবলৈ চেষ্টা কৰো। কিন্তু, বিষয় নিৰ্বাচনত আজি বাৰে বাৰে উজুটি খাইছো। সেয়েহে মাক সুধিলো আৰু পালো তিনিজনৰ তিনিটা বেলেগ বেলেগ মন্তব্য।

মায়ে কোৱা বিষয়টোৱেই প্ৰথমে মনলৈ আহিল। ১৫ বছৰ আগৰ সেই শৈশৱ আৰু আজিৰ শৈশৱ। কিমান যে মধুময় আছিল সেই সময়। আস্! দুচকু মুদি দিছো মই। দুচকুত ভাহি উঠিছে এখন পথাৰ। বহল এখনি পথাৰ। ঘাহেৰে ভৰি থকা এখন চৰণীয়া পথাৰ আৰু কিছুদূৰত এটা বিল। ভেটফুলেৰে ভৰি থাকে বিলটো। দাদাই সজা কলগছৰ ভুৰত উঠি দেওঁবাৰৰ গোটেই দুপৰীয়াটো চৰি ফুৰো বিলত। ভেটফুল ছিঙো, শেলুক বুটলো, মালা গুথো ভেটফুলৰ ঠাৰিৰে। অকলশৰীয়া নাছিলো মই। অলেখ লগৰীয়াৰে মধুময় আছিল মোৰ শৈশৱ। মনটো যেন উৰি গৈছে সেই দিনবোৰলৈ। লগৰীয়াবোৰক যেন ৰিঙিয়াই মাতিম ঃ " অই দুলু, অই সাগৰীকা বা; মামাহতৰ ঘৰৰ পৰা এটা নতুন খেল শিকি আহিছো। আহচোন খেলো আহ।" আহ্ সেই সময়! দুলু, জুন, সাগৰীকা বা, সৰু বা, কুতু, অৰ্জুন, ৰাহুল, অপু, ৰীম্পা বা, পুতু.... এটা দল আহি আছিল আমাৰ। গোটেই দলটোৱে লৰি-ঢাপৰি ফুৰিছিলো ইফালে-সিফালে। দলটোৰ নেতৃত্বত আছিলো তিনিজনী গঠনমূলক আৰু শান্ত কামবোৰত মই আৰু দুষ্টালিবোৰত সাগৰীকা বা আৰু পুতু। নপঢ়াকৈও থকা নাছিলো। ছাৰ-বাইদেৱে কৰিবলৈ দিয়া ঘৰুৱা কামবোৰ সময়মতে কৰিছিলো। তাৰ মাজতেই নাচিছিলো, গান গাইছিলো, খুৰাৰ পৰা কবিতা আবৃত্তি শিকিছিলো, সাধুকিতাপ পঢ়িছিলো। জোনাকৰ দিনত চোতালত ঢাৰি পাৰি আইতাৰ খুন্দনাৰ তামোল পাগুলি পাগুলি আইতাৰ পৰা সাধুকথা শুনিছিলো। কেতিয়াবা কেতিয়াবা বিয়ানাম, বৰগীত, লোকগীতেৰে মুখৰ হৈ পৰিছিল সেই সন্ধিয়া। এইবোৰ কৰা সত্বেও খেলিবলৈ আমাৰ

হাতত আছিল অফুৰন্ত সময়। হাও, কাবাদী, গোল্লা, দাহ, কুট্ কুট্,লুকাভাকু, চোৰা-চুই আদি খেলেৰে উদুলি-মুদুলি হৈ পৰিছিল পথাৰখন। আমাৰ যেন লগৰীয়াহে আছিল পথাৰখন।

কিন্তু আজিৰ শৈশৱ! হোমৱৰ্ক, টিউশ্বন, ডান্স, আৰ্টছ ক্লাছ, কম্পিউটাৰ, কাৰ্টুন, ভিডিঅ' গেম আদিৰ মাজতে যেন সীমাৱদ্ধ আজিৰ শৈশৱ। প্ৰকৃতিৰ সৌন্দৰ্য্যক উপভোগ কৰিবলৈ আজিৰ ল'ৰা-ছোৱালীৰ আহৰি নাই। যি খন সেউজীয়া পথাৰ আমাৰ শৈশৱৰ লগৰীয়া আছিল সেইখন পথাৰ আজিৰ শিশুৰ বাবে অচিনাকী। আৰু খেলবোৰ, আমাৰ মনবোৰক উৎসাহ-উদ্দীপনা যোগোৱা, শৰীৰক তজবজীয়া কৰি ৰখা খেলবোৰ যে আজি পাহৰণিৰ গৰ্ভক। "অলং-দলং কৰিছে, ৰজা-ৰাণী আহিছে" আজিৰ শিশুৱে নাগায়। আজিৰ শিশুৱে গায় হানী সিঙৰ গান "আজ দিল হে চানী চানী. . . "। আজিৰ শৈশৱ ব্যস্ত শৈশৱ। আজিৰ শিশুৰ হাবিয়াস থাকিলেও সময় নাই আইতাকৰ সতে চোতালত ঢাৰি পাৰি সাধু শুনিবলৈ। তাহানিৰ সেই যৌথ পৰিয়ালো আজি নাই, সাধুকথা শুনাবলৈ আইতাজনীও নাই। চহৰৰ শিশুসকলৰ বাবোতো লৰি-ঢাপৰি ফুৰিবলৈ এখন মুকলি চোতালো নাই।

অলেখ ভাৱনাই অগা-ডেৱা কৰিছে মনত। কিন্তু এই বিষয়টোৰ ওপৰত গল্প লেখিব পৰাকৈ প্ৰস্তুতি আছেনে মোৰ! নঞাৰ্থক উত্তৰ এটাই মনটোক জোকাৰি যায়। ভণ্টিয়ে কোৱা বিষয়টোৱেই চেষ্টা কৰি চাওঁ।

প্ৰেম! এটি আলফুল মৰম মৰম লগা শব্দ। জোনাকৰ গা-ধুৱা, বৰষুণত জীপাল হোৱা এটি শব্দ যেন প্ৰেম। কৈশোৰৰ পৰা যৌৱনৰ এই সময়ছোৱালৈকে বিভিন্ন ধৰণে মুখামুখি হ'লো প্ৰেমৰ। প্ৰেম! এই হাঁহি, এই চকুপানী। কাৰোবাৰ বাবে জীৱনৰ আশীৰ্বাদ ; কাৰোবাৰ বাবে অভিশাপস্বৰূপ এই প্ৰেম। প্ৰেম! কি যে বিচিত্ৰ ৰূপ তোমাৰ।

"পৃথিৱীৰ সমস্ত সেউজীয়াৰে সেউজীয়া কৰিব খোজো মই তোমাৰ হৃদয়। এবুকু মৰমেৰে আৱৰি ৰাখিব খোজো তোমাক। আহিবানে মোৰ কোলাত মূৰ থৈ ভাগৰ জিৰাবলৈ? মোৰ আত্মাই যে চিঞৰি থাকে তোমাক— হতাশ নহ'বা, ভাগৰি নপৰিবা আৰু বহুদূৰ যাবলৈ আছে তোমাৰ। তুমি ভাগৰিলে নহ'ব। আগবাঢ়িবই লাগিব। নহ'লে কিদৰে সজাম আমি আমাৰ সপোনৰ ঘৰ।"

মোৰ হাতখন দুহাতত লৈ এনেদৰেই কৈছিল তেওঁ মোক। তেওঁৰ প্ৰতিটো বাক্য আছিল মোৰ বাবে প্ৰেৰণা। তেওঁৰ এষাৰ মাতেই আছিল মোৰ আগবাঢ়ি যোৱাৰ সাহস। কিন্তু সেই প্ৰেৰণা, সেই সাহস এদিন হেৰাই গ'ল। তেওঁৰ প্ৰেমত মই উদ্বাউল হৈ থকা সময়তেই তেওঁ পলুৱাই আনিলে এজনী ছোৱালী, যিজনী ছোৱালীক তেওঁৰ 'বেষ্ট ফ্ৰেণ্ড' বুলি মই জানিছিলো। ভাবিব পৰা নাছিলো মিঠা মিঠা কথাৰ আৰত কিদৰে লুকাই থাকিব পাৰে চলনাৰে ভৰা এখনি বিষাক্ত জিভা। ভাঙি পৰিছিলো মই। চকুপানীৰে ভৰি পৰিছিল ডায়েৰীৰ প্ৰতিখিলা পাত।

অনন্যা আছিল তেতিয়া মোৰ কাষত। অনন্যা-অণু- মোৰ প্ৰিয় বান্ধৱী অণু। মোৰ বুজিছিলো তাই। বুজাইছিল। দুচকুৰ চকুপানী মচি দি কৈছিল— চকুপানীবোৰ বহুত মূল্যৱান। ইমান সহজে চকুপানীবোৰ সৰি পৰিব নিদিবা। নিজক ডাঠ কৰা। চকুপানীবোৰ সাঁচি ৰাখা তেওঁৰ বাবে, যিয়ে তোমাৰ চকুত চকুপানী দেখিলে আলফুলে মচি পেলাব আৰু তোমাক বুকুৰ মাজত সাৱটি ল'ব।"

সঁচাকৈ আচৰিত মানুহৰ মন। সঁচাকৈয়ে আচৰিত প্ৰেম। যিজনী অনন্যাই মোক চকুপানী মচি সাহস দিছিল, তাইনো প্ৰেমৰ পৰা পালে কি? বাৰে বাৰে প্ৰত্যাখ্যান কৰে তাইক তাইৰ প্ৰেমে আৰু বাৰে বাৰে থমকি ৰয় তাই দুৱাৰ মুখত। তাই যেন প্ৰেমিকৰ হাতৰ পুতলা। খেলিবলৈ মন গলে পৰি থকাৰ পৰা বুটলি আনি খেলিব, বুকুত সাৱটি মৰম কৰিব আৰু খেলা-শেষ হ'লেই দলিয়াই পেলাব। তেনেদৰেই সুখী তাই। তাই আঁতৰি আহিব নোৱাৰে। যদি তাৰ খেলিবলৈ মন যায়, যদি পুতলাটো বিচাৰি নাপায় সি কান্দে, এই ভাৱনাই সদায় বান্ধি ৰাখে তাইক তাৰ হৃদয়ৰ দুৱাৰমুখত। আৰু মই! ৰাতিপুৱাৰ এটি সোণালী কিৰণ হৈ প্ৰেম পুনৰ আহিল মোৰ জীৱনলৈ। অনন্যাই কোৱাৰ দৰেই এজন মানুহ আহিল মোৰ জীৱনলৈ. যিজনে মোক কান্দিব নিদিয়ে। চকুপানী ওলাব খুজিলেই তেওঁ মোৰ বুকুৰ মাজত সাৱটি লয়। মোৰ হৃদয়ত আশাৰ জোনাক সিঁচি তেওঁ কয়— প্ৰেম প্ৰতাৰণা নহয়। এসাগৰ মৰম বুকুত লৈ তেওঁৰ বুকুৰ মাজত জাহ যাওঁ মই।

ঃ অ' বা, লিখা হ'লনে? কোনটো বিষয়ে লিখিলি?

ভণ্টিৰ মাতত তন্ময়তা ভাগি গ'ল। কিমান সময় যে হ'ল তন্ময় হৈ ভাৱনাৰ সাগৰখনত বুৰ গৈ থকা। নহ'ব। প্ৰেম মোৰ গল্পৰ বিষয় হ'ব নোৱাৰে। প্ৰেমক লৈ গল্প লিখিবলৈ হ'লে আজি আৰু মোৰ লিখা নহ'ব। এনেদৰে তন্ময় হৈ বহিয়েই থাকিব লাগিব।

বাকী থাকিল দেউতাই কোৱা বিষয়টো। পাৰিমনে লিখিব! পাৰিমনে গল্পকাৰ হিচাপে মোৰ সামাজিক দায়বদ্ধতা বজাই ৰাখিব। কিমান ধৰণৰ ঘটনা যে ঘটি থাকে সমাজখনত। টি.ভি.টো চাবলৈ নোৱাৰি। ভাল খবৰ, ভাল ঘটনা এপাচি শাকত এটা জালুক। নানা ধৰণৰ হিংসাত্মক ঘটনাৰে ভৰি পৰে দূৰদৰ্শনৰ পৰ্দা, বাতৰি কাকতৰ পৃষ্ঠা। চকুৰ আগেৰে পাৰ হৈ গ'ল বিভিন্ন ঘটনা। কি বিষয়ে লিখো! উচ্চ শিক্ষা লাভ কৰিও চাকৰি নোপোৱা দাদাৰ হতাশা, চৰকাৰী কৰ্মচাৰীৰ দুৰ্নীতি, মাথো বেয়া খবৰকে বিচাৰি ফুৰা হালধীয়া সাংবাদিকতা, যৌতুকৰ বাবে জ্বলাই দিয়া বোৱাৰী. . . কি বিষয়ে লিখো। নায়িকা যদি মই হওঁ। বিভিন্ন ঘটনাই কঁপায় যায় হৃদয়।

দেহৰ সমস্ত শক্তিৰে দৌৰি আছো মই। পিছে পিছে কেইজনমান যুৱক। ভয়ত মোৰ ডিঙি শুকাই গৈছে। নিজক বচাবৰ বাবে কি কৰিব লাগে মই নাজানো। আত্মৰক্ষাৰ উপায় হিচাপে মাথো দৌৰি আছো। চুবিদাৰ যোৰৰ দোপাট্টাখন ঠানি-আজুৰি দলিয়াই পেলালে সিহঁতে। কামিজটোৰ ঠায়ে টায়ে ফালি গৈছে সিহঁতৰ আজোৰত। সিঙঁতৰ হাতৰ পৰা কোনোমতে মুক্ত হৈ প্ৰাণপ্ৰনে দৌৰী আছো। নাই, আৰু নোৱাৰি। পিশাচকেইটা ওচৰ আহি পাইছে। কেনেকৈ বচাওঁ মই নিজক। হঠাৎ কৰবাত উজুটি খাই বাগৰি পৰিলো। 'মা' বুলি আৰ্তনাদ এটি ওলাই আহিল।

ঃ বা, কি হ'ল তোৰ ?

ভণ্টিয়ে গাত ধৰি জোকাৰি দিলে। সঁচাকৈয়ে চাগে 'মা' বুলি চিঞৰি দিছিলো মই।

অস্ফুট স্বৰেৰে মই ক'লো—

ঃ মই লিখিব নোৱাৰিম ভণ্টি ।

# অবৈধ প্ৰেম

মনামী ডেকা
উঃমাঃ প্ৰথম বৰ্ষ

নিশিগন্ধাই খৰধৰকৈ কাপোৰ সাজ পিন্ধি মাকক মাত দি ওলাই আহিল। তাই গেটত কিছুপৰ ৰৈ আকৌ বাবিলে তাইৰ ৰাতিপুৱাৰ পৰা এতিয়ালৈ কৰা কামিখিনি। ছেঃ! তাই যে আকৌ পাহিৰ গ'ল হৰকাইক পনীৰখিনি বনোৱাৰ কথা ক'বৰ কাৰণে। তাই গেটৰ পৰা চিঞৰিলে

ঃ হৰকাই, পনীৰখিনি বনাই মাক ভাত দিবা।
মোৰ আহোতে পলম হ'ব।

হৰকায়ে শুনিলে নে নুশুনিলে তাই আৰু নাভাবিলে। গেটখন বন্ধ কৰি ৰাস্তালৈ ওলাই আহিল তাই। মানুহবোৰে খৰখেদাকৈ খোজ কাঢ়িছে। সকলোৱে নিজৰ কৰ্মথলীলৈ ওলাই যোৱাৰ পথত। তাই থকা ঠাইখিনিত গাড়ী-মটৰ খুব কম চলে। তাই তিনিআলিটোলৈ ওলাই আহি বাছষ্টেণ্ডত থমকি ৰ'ল। বিশাল জনপথত অজস্ৰ গাড়ী-মটৰ, শব্দ প্ৰদূষণৰ যে অন্যতম উৎস এইবোৰ। বায়ু প্ৰদূষণতো হৈছেই। নিশিগন্ধাই মুখত এটা বিৰক্তিৰ চিন লৈ থিয় হৈ থাকিল। ওচৰৰ জাৱৰৰ দ'ম এটাৰ পৰা উৎকট গোন্ধ বাহিৰ হৈছে। বাপেক নোহোৱা নিশিগন্ধাৰ মাকৰো এইটো এৰি সেইটো বেমাৰ লাগিয়ে থাকে। তাইৰ চাকৰিটোৱে ঘৰখন চলাব পাৰে। বাপেক ভাল মানুহ আছিল বাবে বেছি টকা আৰ্জিব নোৱাৰিলে। এই মূহুৰ্তত তাইৰ অনুভৱ হ'ল যেন তাই বৰ খিংখিঙীয়া হৈ গৈছে এইকেইদিন। বিয়াৰ বয়স প্ৰায় উকলিলে। জাৱৰৰ দ'মৰ উৎকট গোন্ধই যেন তাইৰ বুকুৰ মাজতো কিছুমান লেতেৰা ছবিৰ সৃষ্টি কৰিছে।

ওচৰৰ ডাষ্টবিনটোত জাৱৰ তেনেকে নপৰে। যাত্ৰীয়ে পেলাই দিয়া অলাগতিয়াল সামগ্ৰীবোৰ ডাষ্টবিনৰ কাষত পৰি ঠাইখিনি বাৰেৰহনীয়া গোন্ধৰ সৃষ্টি কৰিছে। প্ৰত্যেক দিনাৰ দৰে তাইৰ মুখৰ পৰা ওলোৱা থু খিনি পেলাবৰ বাবে তাই অলপ আগুৱাই গ'ল। দেখিলে কাউৰী কেইটামানে ডাষ্টবিনটোত সোমাই কিবা খুচুৰি আছে। সাধাৰণতে তাই এনে ঘটনাবোৰ লক্ষ্য কৰে। তাই আগুৱাই গ'ল ডাষ্টবিনটোৰ ফালে। কাউৰী কেইটাই নিজৰ মাজতে যুদ্ধও লাগি আছে। তাই ভালকৈ জুমি জুমি চাই দেখিলে সৰু সৰু হাত ভৰিৰে মুখৰ ছাল প্ৰায় এৰাই খোৱা এটা কেঁচুৱা। তাইৰ অন্তৰ শংকিত হৈ পৰিল। কি কৰিব তাই! কাক মাতিব তাই! তাই খেপিয়াব নে কেঁচুৱাটোক। পাৰিবনে ?

ডাষ্টবিনত থকা কেঁচুৱাটোক দেখি তাইৰ মনত পৰিল নিজৰেই কথা। অহ্। তায়ো এৰি গৈছিল তাইৰ অবৈধ সন্তানটো এনেদৰেই। তাই পাহৰি গ'ল স্থান, কাল, পাত্ৰ। তাই কাউৰী কেইটাক খেদি খেপিয়াব ধৰিলে ডাষ্টবিনটোক। আকৌ এটা অবৈধ সন্তানক মৰিব দিব নোৱাৰি। তাই পাগলৰ দৰে ডাষ্টবিনত হাতখন সোমাই কেঁচুৱাটোক উঠাই অনাৰ অন্তিম চেষ্টা চলালে।

# বৃষ্টিপাতৰ দুবাহুত সোণপাহিৰ সান্নিধ্য

নিপজ্যোতি কলিতা
প্ৰাক্তন ছাত্ৰ

সিদিনা আছিল শুক্ৰবাৰ। পুৱাৰ পৰা আৰম্ভ হোৱা মুষলধাৰ বৰষুণৰ বাবে কোনোফালে ওলাব নোৱাৰা অৱস্থা। ভনীয়েকে ৰিমনক সুধিলে— "দাদা কলেজত যাবি নে?" কিছু সময় টলকা মাৰি থাকি সি ক'লে যে তাৰ ঠিক নাই। অৱশ্যে তাৰ কলেজত যাব লগা কাম আছিল, পিছে এই বৰষুণ জাকৰ বাবে তাৰ ভৰিত এলাহৰ শিকলিয়ে মেৰিয়াই ধৰিছিল। তথাপি কৰিবলগীয়া কামখিনি কৰো বুলি অলপ বৰষুণ কমাত সি ওলাল ভনীয়েকৰ লগতে কলেজলৈ।

বৰ ঠেলা হেচা বাছখনত। উঠিছেহে মাত্ৰ ঠিক তেতিয়াই বাছখন চলিবলৈ আৰম্ভ কৰিলেই। ৰিমনে নিয়ন্ত্ৰণ হেৰুওৱাৰ ফলত ওচৰত থিয় হৈ থকা ছোৱালী এগৰাকীৰ প্ৰায় গাতে খুন্দা লগাৰ নিচিনা হ'ল। তেনেকুৱা অৱস্থাত সি অলপ লাজ পাই অপৰাধবোধ কৰি ছোৱালী গৰাকীক কলে— "ছ'ৰি দেই!" তাই মাথো মিচিকিয়াই হাঁহিলে। সি তাইক চিনি পায় যদিও কেতিয়াও মাত-বোল হোৱা নাই। তাই সোণপাহিৰ ভনী 'জিমণি'। সোঁধো-নোসোঁধোকৈ সি সুধিলে— তুমি সোণপাহিৰ ভনীয়েক নহয়নে? তাই "হয়" বুলি মুৰ দুপিয়ালে।

বাছৰ পৰা নামি কলেজ চৌহদৰ ভিতৰত প্ৰৱেশ কৰি দুই এজনক মাত লগাই ৰিমন লাইব্ৰেৰী পালেগৈ। কলেজৰ লাইব্ৰেৰীটো তাৰ অতি প্ৰিয় স্থান। লাইব্ৰেৰীৰ কামখিনি কৰি থাকোতেই বৰষাক দেখিলে। বৰষা ৰিমনতকৈ জুনিয়ৰ। তাই আহি তাৰ কাষতেই বহিল। তাই হেনো ফোন নম্বৰ সলালে। ৰিমনৰ ফোনত নতুন নম্বৰ এটাৰ আগমণ ঘটিল।

ৰিমন আৰু বৰষাই কথা পাতি থাকোতেই হঠাৎ স্তম্ভিত হৈ পৰিল। লাইব্ৰেৰীত গৈ কলেজৰ সাধাৰণ সম্পাদকে আদেশ শুনানে যে তাত উপস্থিত থকা সমূহ ছাত্ৰ-ছাত্ৰীয়েই তৎক্ষণাত লাইব্ৰেৰী ত্যাগ কৰি 'বকুলতলি'ৰ 'শ্ৰদ্ধাঞ্জলি কানন'ত উপস্থিত হ'ব লাগে। বকুলতলি হ'ল ৰিমনৰ গৃহচহৰ আৰু শ্ৰদ্ধাঞ্জলি কাকন সেই অঞ্চলৰে এক সাংস্কৃতিক স্থান। সদৌ অসম ছাত্ৰ সন্থাই বাংলাদেশী বহিস্কাৰৰ বাবে ৰাজ্য জুৰি প্ৰতিবাদী কাৰ্য্যসূচী হাতত লৈছিল। তাৰেই আজি বকুলতলিৰ পাল পৰাত এনেকৈ স্কুল-কলেজদৰ ছাত্ৰ-ছাত্ৰীক লৈ প্ৰতিবাদৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰ সন্থাই ব্যৱস্থা কৰি দিয়া বাছেৰে গৈ ৰিমন আৰু বৰষা গন্তব্য স্থান পালে। কেইখোজমান গৈছেহে মাথো, হঠাৎ ৰিমনৰ বুকুখন কঁপিবলৈ ধৰিলে, মনত কিবা এটা ভয় আৰু আনন্দ, দুচকুত কিবা এটা আশা লৈ সন্মুখৰ পিনে সি কাৰোবাক চোৱাত ব্যস্ত হ'ল। হয় হয় সি ঠিকেই দেখিছে, সৌৱা সোণপাহি। সোণপাহিক দেখিলে ৰিমনৰ মানসিক অৱস্থা এনেকুৱাই হয়। ঠিক তেতিয়াই তায়ো ৰিমনৰ পিনে ঘূৰি চোৱাত চকুৱে চকুৱে পৰিল। দেখিয়েই তাইৰ মুখত মিচিকিয়া হাঁহি। সেই হাঁহিত ৰিমনৰ বুকুখন চিৰিংকৈ উঠিল। এই সোণালী সুযোগ নেহেৰুৱাই সি তাইৰ কাষলৈ গৈ একেলগে খোজ দিলে। ৰিমনে সোণপাহিৰ কাষ চাপিলে তাই যে বিৰক্ত নহয় এই কথা সি বুজি উঠিছিল। সোণপাহিৰ সান্নিধ্যতে ৰিমনে ইতিমধ্যে বৰষাৰ অস্তিত্ব পাহৰি পেলালে।

চিপ্ চিপ্ বৰষুণত একেটা ছাতিৰ তলত ৰাস্তাৰ কাষে কাষে ৰিমন খোজ কাঢ়ি আছে, কাষত আছে সোণপাহি। বৰষুণৰ তালে তালে কথাপাতি, হাঁহি ধেমালি কৰি পৰিবেশটো ৰোমাঞ্চকৰ হৈ পৰিছে। সোণপাহিৰ লগত ৰিমনৰ এনেকুৱা মুহূৰ্ত এয়ে প্ৰথম। যিকোনো ল'ৰাৰ বাবে সহজে বশ কৰা কঠিন। ৰিমন হ'ল স্বাভিমানি, আত্মবিশ্বাসী আৰু ধেমেলীয়া স্বভাৱৰ ল'ৰা। দুয়োৰে সম্পৰ্কই ইতিমধ্যে বন্ধুত্বৰ সীমা পাৰ কৰিছে যদিও কোনেও কাকো মুখ ফুটাই একো ক'ব পৰা নাই।

বৰষুণ কমা নাই। ইতিমধ্যে প্ৰতিবাদী কাৰ্য্যসূচী আৰম্ভ হৈছিল। প্ৰতিবাদী সমদল দুটা শাৰীত মানে ল'ৰা আৰু ছোৱালীত বিভক্ত হোৱাত সিহঁত দুয়ো ইজনে আনজনক সিদিনা দুনাই দেখা নাপালে। কাৰ্য্যসূচীৰ অন্তত শ্ৰদ্ধাঞ্জলি কাননৰ পৰা বাছ আস্থানলৈ আহোতে ৰিমনে নিজকে বৃষ্টিপাতৰ দুবাহুত বিলীন কৰি দিবলৈ বাধ্য হ'ল, তাৰ লগত ছাতি নাছিল। ধাৰাসাৰ বৰষুনে তাৰ কাপোৰ-কানি তিতাই পেলোৱাত সি এখন দোকানৰ আশ্ৰয় ল'লে। ঠিক তেতিয়াই তাৰ ম'বাইলটো বাজি উঠিল। সোণপাহিৰ বিৰতিহীন কণ্ঠস্বৰ— "তুমি ঘৰ গৈ পালানে? সোনকালে যাবা বহুত দেৰি হ'ল। তুমিটো ছাতি অনা নাই নহয় জানো? বৰষুণত তিতিব নালাগে বেমাৰ হ'ব। বৰষুণ কমিলে যাবা। গৈ পালে ফোন কৰিবা। মই ঘৰ আহি পোলো দিয়া। তিতি বুৰি কি যে অৱস্থা হৈছে মানে! তাতটো তিতিছোয়েই আৰু আহোতে গাড়ীটো তিতিছো।" ৰিমনে উত্তৰ দিব আৰম্ভ কৰিছিলহে মাত্ৰ তেতিয়াই ফোনটো কাট খাই গ'ল। সি আকৌ তেতিয়া 'কলবেক্' নকৰিলে।

বৰষুণ অলপ কমাত ৰিমন বাছত উঠিল, ঘৰ অভিমুখে...।

# আধুনিক পৃথিৱীত ৰমলা

বিশ্বজিৎ সূত্ৰধৰ
স্নাতক তৃতীয় ষাণ্মাসিক

"হেৰি শুনিছানে ৰমেন আহিছে, চাহ অলপ বনোৱাচোন।" গিৰীয়েক মদনৰ চিঞৰটো ৰমলাই শুনিও হা-না একো নকলে। মাথো তাই ঘৰ চাফা কৰা কামত ব্যস্ত হৈ থাকিল। ঘৰুৱা কাম কৰা ছোৱালীজনী নোহোৱাৰ পৰা ৰমলাৰ ঘৰুৱা কামৰ আহৰি নোহোৱা হৈছে। ভাত বনোৱা, কাপোৰ ধোৱা, বাচন ধোৱা, ল'ৰা-ছোৱালী হালক খুৱাই ধুৱাই স্কুল পঠোৱা, মদনক অফিচ পঠোৱা আদি এটাৰ পিছত এটা কামৰ শেষেই নাই। ৰমলাই ৰাতিপুৱা আঠ বজাৰ পিছৰ পৰা আবেলি প্ৰায় আঢ়ৈ বজালৈ ঘৰটোত অকলেই সোমাই থাকে। এই সময়খিনিত ৰমলাই বাচন ধোৱা, কাপোৰ ধোৱা, ভাত বনোৱা আদি কামবোৰ এটা এটাকৈ সমাধান কৰে। কাম বন আজৰি কৰি ৰমলাই কেতিয়াবা অলপ শুৱে বা মন গলে ৰুমাল চিলাই কৰে নতুবা বাতৰি আলোচনী আদিকে পঢ়ি সময় কটায়। আঢ়ৈ বজাৰ লগে লগে ল'ৰা-ছোৱালী কেইটা আহি পায়। তাৰ পাছত একেলগে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰে। চিন্তু আৰু ৰশ্মি টিভিটোৰ সন্মুখত গৈ বহে। ৰমলাৰ পিছে টিভি চোৱাৰ প্ৰতি ইমান আসক্তি নাই, মাথো দুই এখন সময় পালে অসমীয়া চিৰিয়েল চায়। আবেলি চাৰি বজাত মদন অফিচৰ পৰা আহি পায়। কাপোৰ কানি সলাই ফ্ৰেচ হোৱাৰ পিছত ৰমলাই মদনলৈ একাপ সুন্দৰ সতেজ গাখীৰ দিয়া চাহ আনি দিয়ে। সন্ধিয়া ছয়মান বজাৰ লগে লগে মদনৰ বাল্য বন্ধু ৰমেন প্ৰায়ে আহে আৰু দুয়ো কেতিয়াবা বাৰাণ্ডাৰ চুকত নতুবা জোনাক নিশা বাহিৰৰ মজিয়াত বহি আড্ডা দিয়ে। তেতিয়া চিন্তু-ৰশ্মি হঁতেও ভাগে ভাগে পঢ়িবলৈ যায়। আড্ডা শেষ কৰি আঠ মান বজাত ৰমেন শৰ্মা ঘৰলৈ যায়গৈ। তাৰ পিছত মদনো গৈ কম্পিউটাৰ থকা কোঠাত সোমাই পৰে। ইফালে ৰমলাই ৰাতিৰ সাজ বনোৱাৰ বাবে প্ৰস্তুতি চলায়। ৰমলাই ভাৱে যে "আজি মদনৰ লগত বহু সুখ-দুখৰ কথা পাতিম, কিন্তু ৰমেন আহিবৰ পৰা মদনৰ আনৰ লগত কথা পাতিবলৈ অলপো সময় নাই।" দিনটোৰ বহু বুকু-ভৰা স্মৃতি মদনক কম বুলি ভাৱে কিন্তু কি হব দিনটো অফিচত মূৰ খটুৱাই খটুৱাই ভাগৰি পৰাৰ বাবে মদনে প্ৰায়ে সোনকালেই শুই পৰে। ৰমলাৰ সেই বুকুভৰা মনৰ কথা মনতে ৰৈ যায়।

ৰমেন শৰ্মা মদনৰ শৈশৱৰে প্ৰকৃত বাল্য বন্ধু। এনেখন ভঙা বেৰৰ এল.পি. স্কুলতে দুয়ো পঢ়িছিল। আবেলি সময়খিনি দুয়ো ইজনে সিজনক দিছিল আৰু খেল-ধেমালিৰে সময়বোৰ পাৰ কৰিছিল। পিছে সময়ে দুয়োকে ইজনৰ পৰা সিজন আঁতৰি থাকিবলৈ বাধ্য কৰালে। মদন গ'ল উচ্চ শিক্ষা লবলৈ কলিকতা আৰু ৰমেনে ওচৰৰে কলেজ এখনত বি.এ. পঢ়ে। সময়ত মদনে বিদেশতে এটা ভাল চাকৰিত সোমায়। ইফালে ৰমেনেও চহৰৰে হাইস্কুল এখনত শিক্ষকতাৰে কৰ্ম জীৱনৰ পাতনি মেলিলে। আৰু এনেকৈয়ে তেওঁলোকৰ বাৰটা বছৰ পাৰ হয়। এনেতে এদিন সুবিধা পাই মদনে ৰমেন থকা সৰু চহৰখনৰে ভাল অফিচ এটাত নিজৰ চাকৰিটো ট্ৰেন্সফাৰ কৰাই ল'লে। তেতিয়াৰ পৰাই আৰম্ভ হৈছে তেওঁলোকৰ এই সন্ধ্যাৰ সু-মধুৰ আড্ডা। দুয়োজনে সন্ধ্যাৰ সময়খিনি বহু ব্যস্ততাৰ মাজত ইজনে সিজনক দিয়ে। সিহঁতে শৈশৱৰ বহু স্মৃতি ৰোমন্থন কৰে এই আড্ডাত। এবাৰ ৰামলালৰ বাৰীৰ পৰা আম চুৰ কৰি ধৰা পৰাত দুয়োজনকে বান্ধি থৈ বহু শাস্তি দিছিল। এনেকুৱা বহু পুৰণি স্মৃতিৰে দুয়োৰে আড্ডা বেছ ভালদৰেই চলে।

ৰমলাই ঘৰ দুৱাৰ সাৰি পৰিষ্কাৰ কৰাৰ পিছত ৰান্ধনী ঘৰত সোমায়। গেছটো জ্বলাই সকলোৰে বাবে একাপ একাপ চাহৰ ব্যৱস্থা কৰে। ইফালে ৰমেন আৰু মদনৰ আড্ডা চলিয়েই থাকে। কিন্তু ৰশ্মিও পঢ়াত ব্যস্ত হৈ পৰে। ৰমলাই সকলোলৈকে গৰম পকৰাৰ সৈতে চাহ লৈ আহে। চাহ খোৱাৰ পিছত তেওঁলোকৰ আড্ডা আৰু অধিক তাৎপৰ্যপূৰ্ণ হৈ পৰে। ৰমলাই মন গলে কেতিয়াবা তেওঁলোকৰ আড্ডাত অংশগ্ৰহণ কৰে নতুবা মনে মনে শুনি থাকে। অৱশ্যে কেতিয়াবা ৰমলাৰ মদনলৈ বৰকৈ খং উঠে, "মোৰ লগত কথা পাতিবলৈ তাৰ অলপ সময় নাই আৰু ৰমেনৰ লগত গোটেই সন্ধিয়াটো কথা পাতিবলৈ সময় পায়।" তথাপিও ৰমেন থকা অৱস্থাত ৰমলাই একো নকয়। ৰমেন গ'লে মাজে মাজে কেতিয়াবা মদনক কথা শুনায়। মদনৰ পিছে সেইবোৰৰ প্ৰতি ইমান গুৰুত্ব নাই।

আঠমান বজাত ৰমেন যেতিয়া ঘৰলৈ যায় মদনে তেতিয়া কম্পিউটাৰটোৰ সন্মুখত নতুবা মন গলে লেপটপটো আঙুলি বুলাই থাকে। কম্পিউটাৰটোৰে মদনে অফিচৰ কিছুমান গুৰুত্ব পূৰ্ণ ইনফৰমেচন লয় লগতে হিচাপ নিকাচ আদিকে কৰে। ৰমলাই জানে যে মদনে কলিকতাৰ বন্ধুসকলৰ লগত ই-মেইল কৰে, ফেচবুক

কৰে কিন্তু ৰমলাই বুজি নাপাই ই-মেইল বা ফেচবুক মানে কি? মদনক সুধিলেওঁ কয় চিঠি লিখা বুলি। তথাপিও কিন্তু ৰমলাই নুবুজে মাথো ভাবে বুটাম টিপি টিপি কেনেকৈনো চিঠি লিখিব পাৰে। দুনাই একো নুসুধি ৰমলাই ওলাই আহে কোঠাটোৰ পৰা। ৰমলাৰ ল'ৰা-ছোৱালী হালো আজৰি সময়ত প্ৰায়ে বাপেকৰ দৰেই কম্পিউটাৰত আঙুলি বুলাই ই-মেইল কৰে। সিহঁত দুয়ো মাক ৰমলাক বৰকৈ খাটনি ধৰে কম্পিউটাৰত ই-মেইল শিকিবলৈ, কিন্তু ৰমলাই নিশিকে বা শিকিবলৈকেও ইচ্ছা নকৰে। বেছিকৈ আমনি কৰিলে ৰমলাই কয়—"অত দিন কমল-কাগজেৰে চিঠি, বাৰ্তা লিখি যোগাযোগ ৰাখিছো আৰু এতিয়া দৰকাৰ নাই সেইবোৰত চিঠি লিখিবলৈ..."। মাকৰ কথাই কেতিয়াবা চিন্তুহঁতক চিন্তিত কৰি তোলে। তেতিয়া সিহঁত নিৰাশ হৈ মনে মনে থাকে।

আজিকালি ৰশ্মিহঁতেও ফ্ৰক, চুইজাৰ পিন্ধাৰ সলনি জিনছ পেণ্ট, স্কাৰ্ট, স্পৰ্টিং আদি পিন্ধিবলৈ লৈছে। এইবোৰ দেখিলে ৰমলাৰ বৰকৈ খং উঠে, "উঠন ছোৱালী এইবোৰ পিন্ধাৰ কি প্ৰয়োজন?" ৰমলাই সিহঁতক দেখি মনতে ভাৱে সঁচাকৈ ইহঁতৰ গাত বাৰু আধুনিক বোলা বস্তুটোৱে ঠাই পাইছে নেকি? মদনক এই বিষয়ে ক'লে ওলোতাই ৰমলাকহে বুজায় যে আজিৰ ল'ৰা-ছোৱালী এইবোৰ পিন্ধিবই, তাতে আকৌ সেইটো ভাগিব লগীয়া কথানে? আগতে আমি সৰু থাকোতে বৰগীত, নিচুকণি গীত আদি শুনিছিলো, কিন্তু আজি চিন্তু হঁতেচোন আজিকালি ইংৰাজী গীত শুনে য'ত একো বুজিবকে নোৱাৰি। তথাপি যুগৰে দোষ বুলি ৰমলাই মনতে প্ৰবোধ দিয়ে।

বহুদিন হ'ল ৰমলাই মাকৰ ঘৰত যোৱাই নাই। তাই যোৱাৰ কথা প্ৰায়ে ভাৱে কিন্তু ক'বলৈ সন্ধিকে নাপায়। এনেতে এদিন মদনক কথাষাৰ ক'লে আৰু লগে লগেই মদনে ক'লে যে গাঁওলৈ গৈ আমি কি কৰিম তাত দোকান-বজাৰ নাই, কাৰেণ্ট নাই, ৰাস্তা-ঘাটবোৰ সংকটজনক, দলংবোৰো বেছিভাগে ভঙা-চিঙা। এইবোৰ ভাল পৰিবৰ্তন হ'লে যাম দে। তোমালোক তিৰোতাবোৰ এনেকুৱা বাজে কথা ভাবি মূৰ নষ্ট কৰা। মদনৰ বহুমূলীয়া ভাষণ শুনি নিৰৱে ৰমলা আঁতৰি যায়।

আজিকালি প্ৰায়ে ৰমলাৰ অকলশৰীয়া যেন অনুভৱ হয়। মদন, চিন্তু, ৰশ্মিহঁত যেন একো একোটা জানোৱাৰ প্ৰাণী আৰু তাই এটা অকলশৰীয়া জীৱ। তেওঁলোকৰ মাজত থাকিও যেন একো নজনা হাত-ভৰি নোহোৱা যেন লাগে। তাই সিহঁতৰ দৃশ্যবোৰ মাথো নীৰৱে পৰ্য্যবেক্ষণ কৰি থাকে। তাই যেন আধুনিক যুগটোৰ লগত সোমাব পৰা নাই। তথাপি ৰমলাৰ কিয় জানো অনুভৱ হয় যে "মইও অলপ আধুনিক হব লাগিব, এই পৃথিৱীত সকলোৱে প্ৰায়ে আধুনিক হৈছেই।" ৰমলাই পৰিয়ালৰ সকলোৰে মৰমৰ পৰা বঞ্চিত হব নিবিচাৰে। তাইয়ো সিহঁতজাকৰ মাজতে জীৱনটো কটাব লাগিব। গতিকে তাইও মনতে প্ৰবোধ দিয়ে সিহঁতৰ লগতে সমানে খোজ মিলাব পাৰিব লাগিব। এই বুলি প্ৰায়ে ৰমলা চিন্তামগ্ন হৈ থাকে। সেয়ে আজি-কালি অনিচ্ছা স্বত্বেও ৰমলাই কম্পিউটাৰটোৰ সন্মুখত বহে আৰু নিজকে আধুনিকতাৰ পৰিচয় দিবলৈ বুলি।

# প্ৰতীক্ষা

ত্ৰিশংকু ঠাকুৰীয়া
প্ৰাক্তন ছাত্ৰ

কাহিনীৰ আৰম্ভণি আজিৰপৰা ৪/৫ বছৰ আগত। বকো হাইস্কুল, যিখন স্কুলত কৈশোৰৰ দিনবোৰ পাৰ কৰি মহাবিদ্যালয়ত ভৰি দিছিল সি। তাৰ নাম তন্ময়, তন্ময় দাস। বকো হাইস্কুলৰ স্কুল সপ্তাহ। স্কুলৰ পৰা পাছ কৰি যোৱা ছাত্ৰবোৰৰ বাবে এক বিশেষ দিন, অৱশ্যে তেতিয়ালৈ স্কুল সপ্তাহৰ জনপ্ৰিয়তা এটা এনেও আছিলে।

ডিম্পল তালুকদাৰ, তেতিয়া দশম শ্ৰেণীৰ ছাত্ৰী আৰু তন্ময়ৰ ভাল চিনাকী আৰু ভনীৰ দৰে। তন্ময়ও গৈছিল তাৰ বন্ধুকেইজনৰ সৈতে সেইদিনা স্কুল সপ্তাহৰ সাংস্কৃতিক কাৰ্যসূচী চাবলৈ কলেজৰ আন আন ল'ৰা-ছোৱালীবোৰৰ দৰেই। ডিম্পলে চিনাকী কৰি দিছিল তাইৰ বান্ধৱী বৰ্ষাক তন্ময়ৰ সৈতে তাৰ কথাত।

সেইয়া আছিল আৰম্ভণি। তাৰ পিছত বহু বাৰ কলেজৰ পৰা বৰ্ষাক লগ কৰিব গৈছিল সি। কেতিয়াবা কথা পাতিছিল আৰু কেতিয়াবা এনেই ঘূৰি আহিছিল। সময় এনেকৈয়ে পাৰ হৈ গৈ থাকিল।

বৰ্ষাই জানিছিল তন্ময়ে তাইক ভাল পায়। স্কুলৰ শেষ সৰস্বতী পূজা সিহঁতৰ সেইবাৰ। সি বৰ্ষাক মাতিছিল— "বৰ্ষা শুনা, তোমাক কথা এটা কব লগা আছে।" তাই আহিছিল আৰু কৈছিল—

ঃ কোৱা

ঃ মই তোমাক ভালপাওঁ।

ঃ মই নাপাওঁ।

ঃ কিয় ?

ঃ এনেকৈ হঠাৎ ভালপাওঁ বুলি ক'লে জানো ভাল পাব পাৰি ?

তন্ময়ে একো কোৱা নাছিল, মাত্ৰ তাইৰ ওচৰৰ পৰা গুচি গৈছিল। কিন্তু কিয় জানো তাৰ মনটো বেয়া লগা নাছিল। তাইৰ কথাখিনি শুনি কিবা এটা ভাল লাগি গৈছিল ? তাৰ মনটো আৰু তাকো।

স্কুল পাছ কৰি বৰ্ষা আৰু ডিম্পলো কলেজলৈ আহিব ল'লে। কলেজত যেতিয়া ক্লাচ অফ্ থাকিছিল তেতিয়া তাইৰ লগত কথা পাতি সময় পাৰ কৰিছিল। বৰ্ষাইও কিজানি বন্ধু হিচাপে তাৰ লগত ভালকৈয়ে কথা পাতিছিল। কেতিয়াবা তাৰ মেজৰৰ ক্লাছো নকৰিছিল তাইৰ লগত কথা পতাৰ স্বাৰ্থত। তাৰ বাবে গালিও শুনিব লগা হৈছিল।

সময় এনেকৈয়ে পাৰ হৈ গৈ আছিল। কিন্তু হঠাৎ এনে কিছুমান পৰিস্থিতি উদ্ভৱ হ'ল যিয়ে তাৰ অন্তৰ, তাৰ ভালপোৱাক বেয়াকৈ আঘাত কৰিলে। সি বহু চেষ্টা কৰিছিল তাইক বুজাব, কিন্তু তাই অকণো তাৰ কথা গুৰুত্ব নিদিলে। হয়তো এনে আন মানুহ তাইৰ জীৱনত আহিছিল যাৰ কথা তন্ময়ৰ কথাতকৈ বেছি বিশ্বাসযোগ্য হৈ পৰিছিল। সেয়া আছিল তাই স্নাতক তৃতীয় ষাণ্মাসিক (semester) -ত পঢ়ি থকাৰ কথা।

কিমান গ্ৰহণযোগ্য আনৰ কথাত যিকোনো সিদ্ধান্ত গ্ৰহণ কৰাটো, যিটো সিদ্ধান্ত কেৱল তাইৰ নিজৰ বিবেচনাৰে ল'ব লাগিছিল। তন্ময়ৰ অন্তৰত আঘাত দি তাই জানো সুখী হ'ব পাৰিব কেতিয়াবা; হয়তো পাৰিব, কাৰণ তাই কোৱাৰ দৰে তাইৰ অন্তৰত তন্ময়ৰ প্ৰতি কোনো feelings নাই আৰু এই feelings শব্দটোৱে দুয়োকে আজি বহু আঁতৰ কৰিলে। তন্ময়ে তাইক কৈছিল ঃ মোক এটা সুযোগ দিয়া। মই সকলো ঠিক কৰিম। মোৰ কথাবোৰ অলপ বিশ্বাস কৰা। তোমাৰ ঘৰৰ মানুহক মই সন্মত কৰাম। ভাল চাকৰি এটা থাকিলে নিশ্চয় তোমাৰ ঘৰৰ পৰা মানা নকৰিব।

বৰ্ষা ঃ কথাবোৰ ইমান সহজ নহয়। তুমি যিমান সহজভাবে লৈছা। পিছত যদি সকলো ঠিক নহয় তেতিয়া ? তাই হয়তো তাৰ কথাবোৰ বিশ্বাসত ল'ব পৰা নাছিল। কিন্তু তাৰ প্ৰতিটো কথা সঁচাই আছিল।

তন্ময়ে তাইৰ প্ৰশ্নৰ উত্তৰ দিব পৰা নাছিল আৰু নোৱাৰাটো স্বাভাৱিক কাৰণ যিজন ল'ৰা কিছুদিন আগলৈ তাইৰ লগত কথা পাতিবলৈ আহিলে মাথো সুধিছিল

তন্ময় ঃ বৰ্ষা শুনা।

বৰ্ষা আহিছিল আৰু সুধিছিল ঃ কোৱা।

তন্ময় ঃ কি খবৰ ?

বৰ্ষা ঃ ভাল।

তন্ময় ঃ ক্লাচ শেষ হ'ল ?

বৰ্ষা ঃ হ'ল।

তাৰ পিছত মাথো মৌনতা। তাৰ পিছত বান্ধৱীকেইজনীয়ে ঘৰত যোৱাৰ কথা ক'লে কেতিয়াবা যাও বুলি কয় আৰু কেতিয়াবা একো নোকোৱাকৈয়ে গুচি গৈছিল।


এয়া আছিল তন্ময়ৰ দৈনন্দিন কথা তাইৰ লগত। কেতিয়াবা আকৌ তাইৰ ক্লাচ শেষ হোৱালৈ ৰখি মাথো তাইৰ খবৰ কেনেকুৱা সেয়া সুধিয়ে পলাইছিল।

এনেকুৱাই আছিল সি। বৰ্ষাক বহুত ভাল পাইছিল, কিন্তু সেই ভালপোৱাক কথাৰে কেতিয়াও প্ৰকাশ কৰিবই নোৱাৰিলে।

তন্ময় মোৰ এজন ভাল বন্ধু। প্ৰায়ে লগ পাও তাক। যদিও সি এতিয়া বৰ্ষাৰ কথা নকয় তথাপি এজন ভাল বন্ধু হিচাপে জানো তাৰ অন্তৰত প্ৰতিটো মুহূৰ্তত কি চলি থাকে। মাথো কাৰো আগত প্ৰকাশ নকৰে তাৰ অন্তৰৰ, তাৰ মানসিক অৱস্থা।

বৰ্ষাই এবাৰ তাক কৈছিল, তাৰ প্ৰতিটো কথা শিলত অঁকা ৰেখাৰ দৰেই বিশ্বাস কৰে। কিন্তু হঠাৎ সেই বিশ্বাস ক'ত হেৰাই গ'ল। সঁচা আছিল জানো তাইৰ সেই কথা। সকলো ভুল, সকলো দোষ জানো তাৰেই আছিল। তাৰ ভালপোৱা, তাৰ চকুপানীৰ মূল্য নুবুজিলে তাই। আঁতৰি গ'লগৈ। পৰিস্থিতিয়ে বাধ্য কৰাইছিল তাক দুই এটা এনে কাম কৰিবলৈ যিবোৰ তাইৰ মনত দুখ দিছিল।

কিন্তু তন্ময়ে এতিয়াও তাইকে ভাল পায় যদিও সি জানে বৰ্ষা এতিয়া তাৰ পৰা বহু দূৰত। যিটো সম্পৰ্ক গঢ়ি উঠাটো সি বিচাৰিছিল, যিটো সম্পৰ্ক গঢ় দিবলৈ সি আপ্ৰাণ চেষ্টা কৰিছিল সেয়া আজি অসম্ভৱ। তথাপি সকলো ঠিক হোৱাৰ আশাৰে সি এতিয়াও ৰৈ আছে।



# জীৱনৰ প্ৰতিশ্ৰুতি

মৌচুমী ৰাভা
উঃমাঃ দ্বিতীয় বৰ্ষ (কলা)

জীৱন এটি মিঠা নাম। সকলোৱে বিচাৰে নিজৰ জীৱনটো ৰংচুৰা কৰি তুলিবলৈ। সপোন দেখে জীৱন সুখৰ কৰিবলৈ, হাঁহি ধেমালিৰে উপচাই ৰাখিবলৈ। তথাপিটো আমি সকলোৱে সপোন দেখিবহে পাৰো, সপোন পূৰাও বুলিয়ে প্ৰতিটো সপোন পূৰাব নোৱোৰো। এটা বছৰ, মাহ, ঋতুৰ লগত সংগতি ৰাখি প্ৰকৃতিয়ে যেনেকৈ ৰূপ সলায় তেনেকৈ মানুহৰ জীৱনবোৰো প্ৰতি পলে পলে ৰং সলায়।

কেতিয়াবা হাঁহি, কেতিয়াবা কান্দোন, হতাশা, বিষাদ, চকুপানী আদিবোৰ একো একোটা ৰং। কাৰ জীৱনত কেতিয়া কেনেকৈ কোন সময়ত কি ৰূপ ধৰে কোনেও নেজানে। হাঁহি এটা জীৱনৰ অমূল্য উপাদান। কেতিয়াবা কৃতকাৰ্য্যতাৰ হাঁহি, কেতিয়াবা কাৰোবাৰ মাজত হেৰাই যোৱা ৰংবোৰ কাৰোবাৰ সতে বিচাৰি পোৱাৰ আনন্দ। কেতিয়াবা অভাৱৰ ফলত ব্যৰ্থ হৈ ৰোৱা আশাবোৰ মৰহি যায়, কেতিয়াবা নদীৰ বুকুত পাৰ ভাঙি বাৰিষাৰ প্ৰৱল বানপানীৰ সৃষ্টি হোৱাৰ দৰে দুচকুৰে চকুলো নিগৰে। কেতিয়াবা হয়তো কাৰোবাৰ এধানি উপদেশে জীৱন সোণোৱালী কৰি তোলে। কাৰোবাৰ অকণমানি সহায়তেই এটা নতুন জীৱন গঢ়ি তোলাত সহায় কৰে। কাৰোবাৰ এধানি প্ৰেৰণা পালে বাটৰুৱাজনেও ভাগৰ পাহৰি পথ অতিক্ৰম কৰাৰ সাহস পায়।

আশা আছে সুন্দৰ জীৱন এটা গঢ়ি তোলাৰ। অতীত জীৱনৰ স্মৰণীয় দিনবোৰৰ কথা মনত পৰিলে ভাৱ হয় জীৱনৰ আকাৰবিহীন। যিদিনা প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰী আছিলো মোৰ প্ৰতিটো খোজত আছিল মা-দেউতা। যিগৰাকী দেউতাই নিজে বিদ্যালয়ৰ পদূলিত খোজ দি নাপালেও মোক পদুলি গছকাই জ্ঞান আহৰণৰ কাৰণে জ্ঞান মন্দিৰত অৰ্পণ কৰিলে। যিজনী মা অ-ফলাৰ 'অ' আখৰটোকে চিনি নাপায়, তথাপি মোক পঢ়িবলৈ প্ৰেৰণা দিছিল। মই পঢ়া সময়ত কাষত থিয় হৈ চায় মই পঢ়ি আছোনে নাই। এনেকৈ পূৰ্ণিমালৈ বাঢ়ি অহা জোনটোৰ দৰে বহুতো বাধা, অভাৱ নেওচি এদিন উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হলো। জীৱনত আগুৱাই যাবলৈ বহুতে সাহস দিছিল আৰু বহুতে আগুৱাই যাবলৈ বাধাও দিছিল। কাৰণ ছোৱালীক পঢ়োৱাটো এটা অযথা খৰচ আৰু পিতৃ-মাতৃক হাৰাশাস্তি কৰি তোলা হৈছিল, তেতিয়া মই সিদিনা ৰাতি মনে মনে কান্দিছিলো, কাৰণ দেউতাই সিহঁতৰ হিংসুকীয়া কথাবোৰত ভোল গৈ মোক আৰু পঢ়া-শুনা কৰাৰ সুবিধা নিদিব বুলি ভয় লাগিছিল। কিন্তু যিটো কথা লৈ মই ভয় খাইছিলো, তাক ভয় কৰাৰ প্ৰয়োজন নাছিল, বৰঞ্চ আগুৱাই নিম বুলি প্ৰতিশ্ৰুতি দিছিল।

দেউতাই কৈছিল, "মা, তুমি আনৰ বাধা শুনিব নালাগে, তোমাৰ ইচ্ছামতে তুমি আগুৱাই যোৱা। টকা-পইচাৰ দুৰ্বলে মানুহৰ মন দুৰ্বল কৰিব নোৱাৰে। টকা আজি নাই, কালি আহিব। কিন্তু তুমি যেতিয়া নিজকে দুৰ্বল বুলি ভাবিবা তোমাৰ আশা-সপোনবোৰ কলিতে মৰহি যাব।

দেউতাৰ সতে মায়ে কৈছিল— "মনপুতি পঢ়িলে তুমি সফল হবাই। তাৰ বাবে তুমি কষ্ট কৰিব লাগিব। সাহস গোটাব লাগিব, নিজৰ ওপৰত বিশ্বাস ৰাখিব লাগিব। তোমাৰ প্ৰতিটো খোজতে আমি ছাঁ হৈ তোমাৰ লগত থাকিম। আমাৰ আশীৰ্বাদ সদায় তোমাৰ লগত থাকিব।"

এনেকৈয়ে আজি মই জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰী। সঁচাকৈয়ে আজি মই উপলব্ধি কৰিব পাৰিছো যে— জীৱনৰ ৰংবোৰে জীৱনলৈ পৰিবৰ্তন আনে। সেই পৰিবৰ্তনে কাৰোবাক নতুনকৈ গঢ় দিয়ে আৰু কাৰোবাক চূৰ্ণ বিচূৰ্ণ কৰি তোলে।

জীৱনটোত বহুবোৰ দেখিলো, বহুবোৰ পালো, শুনিলো আৰু শিকিলো, তথাপি শেষ হোৱা নাই। মৃত্যুৰ আগমুহূৰ্তলৈ দেখি থাকিম, শুনিম, শিকিম আৰু বহুবোৰ পাম। সময় আৰু ব্যৱহাৰৰ জৰিয়তে আমি জীৱনবোৰ গঢ়ি লব লাগিব।

# English Section